সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৩ সংখ্যা, ২৮ শাওণ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 33 Date Of Publication -14 August 2022 Rs.10.00/-




## আজাদী কা অমৃত মহোৎসৱ- আমাৰ অনুভৱ

**ডাঃ যুতিকা ওজা, মুৰব্বী অধ্যাপিকা,**
**কমিউনিটি মেডিচিন বিভাগ,**
**গুৱাহাটী চিকিৎসা মহাবিদ্যালয়**



এইবাৰ ২০২২ চনৰ ১৫ আগষ্টত আমাৰ দেশ স্বাধীন হোৱাৰ ৭৫ বছৰ পূৰ্ণ হ'ব। এই বৰ্ষটো আমাৰ বাবে এক ঐতিহাসিক বৰ্ষ। স্বাধীনতাৰ এই গুৰুত্বপূৰ্ণ সন্ধিক্ষণত আমি অতি গৌৰৱেৰে আৰু এক উৎসৱমুখৰ পৰিৱেশেৰে এইবাৰৰ স্বাধীনতা দিৱস পালন কৰিবলৈ লৈছো। আমাৰ গৌৰৱময় ইতিহাস স্মৰণ কৰি তথা আমাৰ সংস্কৃতি আৰু দেশৰ কৃতিত্ব সজীৱ কৰি স্বাধীনতাৰ স্মৃতি হিচাপে এইবাৰ "আজাদী কা অমৃত মহোৎসৱ" পালন কৰিছো যাতে আমাৰ সকলোৰে মনত স্বাধীনতাৰ বীৰসকলৰ কাহিনী সজীৱ কৰি তোলাত সহায়ক হয় আৰু দেশপ্ৰেমেৰে আমি সকলোৱে উদ্বুদ্ধ হও। এইছেগতে, যিসকল মহান ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টা আৰু বলিদানে ভাৰতবৰ্ষক বৃটিছৰ শিকলিৰ পৰা মুকলি কৰি স্বাধীনতাৰ সোৱাদ দিলে, সেই সকলোকে সশ্ৰদ্ধ প্ৰণিপাত জনাইছো।

আজাদী কা অমৃত মহোৎসৱৰ লক্ষ্য হ'ল- স্বাধীনতাৰ বাবে কৰা সংগ্ৰাম, তাৰ পৰৱৰ্তী এই ৭৫ বছৰৰ ধাৰণা, ৭৫ বছৰৰ দেশৰ কৃতিত্ব, কৰ্ম আৰু সংকল্পৰ ভিত্তিত ২০৪৭ চনত যেতিয়া আমাৰ দেশৰ স্বাধীনতাৰ ১০০ বছৰ পূৰ্ণ হ'ব, সেই নৱ ভাৰতৰ বাবে এক দৃষ্টিভংগীৰ সৃষ্টি কৰা আৰু নৱপ্ৰজন্মক ভাৰতৰ ইতিহাস আৰু স্বাধীনতা সংগ্ৰামৰ বিষয়ে সজাগ কৰা তথা সোঁৱৰাই দিয়া।

এই মহা উৎসৱৰ আনুষ্ঠানিক যাত্ৰা আৰম্ভ হৈছিল ১২ মাৰ্চ, ২০২১ চনত গুজৰাটৰ পৰা আৰু ৭৫ সপ্তাহ জুৰি চলিব লগীয়া এই উৎসৱ ১৫ আগষ্ট, ২০২২ লৈকে উৎযাপন কৰা হ'ব। ইয়াৰ বাবে বিভিন্ন কাৰ্য্যসূচী হাতত লোৱা হৈছে। তাৰ ভিতৰত আছে দেশপ্ৰেমমূলক গীতৰ প্ৰচাৰ, শোভাযাত্ৰা, দেশৰ উন্নতিৰ বাবে বিভিন্ন সভা, আলোচনা চক্ৰ, দেশপ্ৰেমমূলক নাটক আদিৰ আয়োজন। তদুপৰি কেন্দ্ৰীয় চৰকাৰৰ "হৰ ঘৰ তিৰংগা" অভিযানৰ জৰিয়তে দেশখনৰ প্ৰতিটো ঘৰ, স্কুল, কলেজ, প্ৰতিষ্ঠান, সকলো যান বাহন আদিত আগষ্টৰ ১৩ তাৰিখৰ পৰা ১৫ তাৰিখলৈ জাতীয় পতাকা উৰুৱাই দেশৰ এই গৌৰৱোজ্বল ইতিহাস সুঁৱৰিবলৈ

( ছয় পৃষ্ঠাত চাওক)

## ২০২২ বৰ্ষৰ সাংবাদিক পেন্সন ঘোষণা




ৰঙিলী বাৰ্ত্তাসেৱা- অসম সাংবাদিক পেন্সন আঁচনিৰ অধীনত চলিত বৰ্ষৰ পেন্সনাৰসকলৰ নাম ঘোষণা কৰা হৈছে। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ জৰিয়তে প্ৰদান কৰিবলগীয়া এই পেন্সন চলিত ২০২২ বৰ্ষৰ এপ্ৰিল মাহৰ পৰা কাৰ্যকৰী হ'ব। বাচনিকৃত ২০ গৰাকী অৱসৰী সাংবাদিকৰ তালিকাখন এনেধৰণৰ - উৎপল বৰদলৈ (কামৰূপ মহানগৰ), প্ৰদীপ ঘোষ (দৰং), মছলেম উদ্দিন আহমেদ (ধুবুৰী), মাহতাবুৰ ৰহমান (কৰিমগঞ্জ), বাতুল বৰা (যোৰহাট), জয়ন্ত কুমাৰ দাস (কামৰূপ মহানগৰ), ইমৰান হুছেইন (ওদালগুৰি), বাচা বলা (চৰাইদেউ), পদ্ম সিং (কামৰূপ মহানগৰ), গৌবেন্দু চক্ৰৱৰ্তী (কামৰূপ মহানগৰ), মণি শংকৰ পুৰকায়স্থ (কাৰবি আংলং) মদন মোহন অধিকাৰী (কাছাৰ), ৰামলাল সিন্হা (কামৰূপ মহানগৰ), বিনয় কুমাৰ শৰ্মা (কামৰূপ মহানগৰ), ৰবীন বৰুৱা (কাৰবি আংলং), সমীন্দ্ৰ নাথ (কামৰূপ মহানগৰ), ঈশ্বৰ প্ৰসাদ অমুলী (গোলাঘাট), কুমুদ চন্দ্ৰ ডেকা (নলবাৰী), ললিত চন্দ্ৰ কলিতা (কামৰূপ মহানগৰ) আৰু ৰত্নেশ কুমাৰ (কামৰূপ মহানগৰ)। উল্লেখযোগ্য যে অসম চৰকাৰে এই আঁচনিখন ১৯১৭-১৮ বৰ্ষত আৰম্ভ কৰিছিল। প্ৰতিবছৰে ২০ গৰাকী সাংবাদিকক তেওঁলোকৰ আবেদনৰ ভিত্তিত নিৰ্দিষ্ট প্ৰক্ৰিয়াৰে এই আঁচনিৰ বাবে বাচনি কৰা হয়। এনেদৰে যোৱা বছৰ মিলি মুঠ ১০০ গৰাকী সাংবাদিকে এতিয়ালৈ প্ৰতিমাহে ৮, ০০০ টকাকৈ এই পেন্সন লাভ কৰি আছে। চলিত বৰ্ষত বাচনি কৰা ২০ গৰাকীৰে এই সংখ্যা ১২০ হৈছে।

# এইবাৰ স্বাস্থ্য বিভাগৰ নিযুক্তি কেলেংকাৰি



ৰঙিলী বাৰ্ত্তাসেৱা- এইবাৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাত স্বাস্থ্য বিভাগৰ নিযুক্তি কেলেংকাৰি। স্বাস্থ্য প্ৰশিক্ষক, নিম্নবৰ্গৰ সহায়ক, এম পি ডব্লিউ, ফাৰ্মাচিষ্ট, ৰেডিঅ'গ্ৰাফাৰ, লেপ্ৰচি পৰীক্ষক, লেভৰেটৰী টেকনিচিয়ান আদি বিভিন্ন পদৰ ৯১টা পদৰ নিয়োগক লৈ কেলেংকাৰিৰ অভিযোগ উত্থাপন হৈছে। বিগত দিনত কংগ্ৰেছ চৰকাৰৰ দিনত বিজ্ঞাপন, সাক্ষাৎকাৰ, নিযুক্তি পত্ৰৰ অবিহনে কেৱল বদলিকৰণৰ কাগজৰ ভিত্তিত এইসকল কৰ্মচাৰীয়ে নিয়োগ লাভ কৰি বছৰ বছৰ ধৰি চৰকাৰী দৰমহা ভোগ কৰি অহাৰ সন্দেহ কৰা হৈছে। শিৱসাগৰৰ এগৰাকী আৰ টি আই কৰ্মীৰ আৱেদনত শিৱসাগৰ জিলাত স্বাস্থ্য বিভাগৰ এনে সংঘটিত হোৱাৰ তথ্য উন্মোচন হৈছিল। যাৰ বাবে এতিয়া স্বাস্থ্য সঞ্চালকালয়ে এনে নিয়োগৰ তদন্ত ঘোষণা কৰিবলৈ বাধ্য হৈ পৰিছে।অৱশ্যে বিষয় সন্দৰ্ভত শিৱসাগৰ স্বাস্থ্য বিভাগে কোনো মত প্ৰকাশ কৰাৰ পৰা বিৰত আছে যদিও পৰৱৰ্তী সময়ত বিষয় সন্দৰ্ভত স্থিতি মুকলি কৰাৰ সম্ভাৱনা আছে। ইতিমধ্যে স্বাস্থ্য সঞ্চালকালয়ৰ নিৰ্দেশত শিৱসাগৰ JTDHS/ Enquiry/RTI/2022/03-08/03/08/22 যোগে গুৱাহাটীৰ স্বাস্থ্য সঞ্চালকালয়লৈ প্ৰেৰণ কৰা ৯১জন কৰ্মচাৰীক ১২ আগষ্টৰ ভিতৰত তেওঁলোকৰ নিয়োগৰ সকলো তথ্য তথা যাৱতীয় প্ৰতিলিপি প্ৰদানৰ নিৰ্দেশ দিছে। বিভাগীয় তথ্যসমূহ শিৱসাগৰৰ স্বাস্থ্য বিভাগে বিশেষ তদন্তৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

# স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে ব্ৰহ্মপুত্ৰত নান্দনিক দৃশ্য



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে ধুবুৰীত দেখা গ'ল এক নান্দনিক দৃশ্য। 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশ হিচাপে ধুবুৰী জিলা প্ৰশাসনে ধুবুৰী আৰক্ষী আৰু বিএছএফৰ সহযোগত 'মহাবাহু' ব্ৰহ্মপুত্ৰৰ

( *পাঁচ পৃষ্ঠাত চাওক* )

# শ্ৰম আৰু কল্যাণ বিভাগৰ বিভাগীয় বিষয়াসকলৰ সৈতে শ্ৰম মন্ত্ৰীৰ পৰ্যালোচনা সভা



ৰঙিলী বাৰ্ত্তাসেৱা- শ্ৰম আৰু কল্যাণ বিভাগৰ জিলা পৰ্যায়ৰ বিষয়াসকলৰ উপস্থিতিত বিভাগীয় বিভিন্ন আঁচনিৰ অগ্ৰগতি আৰু ৰূপায়ণ সম্পৰ্কত এখন পৰ্যালোচনা সভা আজি অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। শ্ৰম আৰু কল্যাণ দপ্তৰৰ মন্ত্ৰী সঞ্জয় কিষাণৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত প্ৰতিখন জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন বিভাগীয় আঁচনিসমূহৰ খৰতকীয়া কাৰ্যকৰীকৰণৰ লগতে বিভিন্ন অভাৱ অভিযোগসমূহৰ ওপৰতো বিস্তৃতভাৱে আলোচনা কৰা হয়। ইয়াৰোপৰি মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ প্ৰতিখন জিলাত 'আজাদী কে অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি উদ্‌যাপন কৰিবলৈ লোৱা 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচীক সাফল্যমণ্ডিত কৰিবলৈ সকলোকে আহ্বান জনায়। পৰ্যালোচনা সভাত শ্ৰম আৰু কল্যাণ বিভাগৰ প্ৰধান সচিব, সচিব প্ৰমুখ্যে উচ্চস্তৰৰ বিষয়াসকলো উপস্থিত থাকে।

# আত্মসহায়ক গোটৰ পৰা জাতীয় পতাকা ক্ৰয় কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে অসমতো 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচী উপযুক্ত কাৰ্যসূচীৰে পালন কৰিবলৈ যো-জা কৰা হৈছে। এই উদ্দেশ্য মনত লৈ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনৰ আত্মসহায়ক গোটসমূহে নিৰলসভাৱে জাতীয় পতাকা প্ৰস্তুতৰ কামত ব্ৰতী হৈ পৰিছে। সৰ্বসাধাৰণ ৰাইজৰ সুবিধাৰ্থে ৰাইজে সহজে জাতীয় পতাকা ক্ৰয় কৰি এই কাৰ্যসূচী সফল কৰিব পৰাকৈ ৰাজ্যৰ ঠায়ে ঠায়ে বিক্ৰী কেন্দ্ৰ খোলা হৈছে। এই আত্মসহায়ক গোটসমূহক অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে সকলো বিভাগক আত্মসহায়ক গোটৰ পৰা জাতীয় পতাকা ক্ৰয় কৰাৰ বাবে চৰকাৰী কৰ্মচাৰী, ব্যৱসায়িক প্ৰতিষ্ঠান, বেংক আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক উৎসাহিত কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে।


# পুনৰ জীৱনদায়িনী ঔষধৰ দাম বৃদ্ধি



ৰঙিলী বাৰ্ত্তাসেৱা- ঔষধৰ বজাৰখন একপ্ৰকাৰ নিয়ন্ত্ৰণহীন হৈ পৰিছে। যোৱা তিনিমাহৰ ভিতৰতে দুবাৰকৈ বহুকেইটা ঔষধৰ দাম বৃদ্ধি পাইছে।ঔষধৰ দাম এনেদৰে অভাৱনীয়ভাৱে বৃদ্ধি পোৱাৰ পাছতো কিন্তু এতিয়ালৈকে চৰকাৰখনে এইক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। যোৱা এক এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ সমগ্ৰ দেশতে প্ৰায় ৮০০ বিধ অত্যাৱশ্যকীয় ঔষধৰ দাম ১০.৭৭ শতাংশ পৰ্যন্ত বৃদ্ধি কৰা হৈছিল। কিন্তু এতিয়া দেখা গৈছে বহুতো ঔষধ প্ৰস্তুত কৰা প্ৰতিষ্ঠানে নেশ্যনেল ফাৰ্মাচিউটিকেল প্ৰাইচিং অথৰিটিয়ে নিৰ্ধাৰণ কৰি দিয়া উক্ত দামৰ পৰিৱৰ্তে ২০ শতাংশ পৰ্যন্ত দাম বৃদ্ধি কৰিছে। তথ্য অনুসৰি যোৱা এপ্ৰিল মাহৰ পৰা জুলাই মাহ পৰ্যন্ত এজিথ্ৰ'মাইচিনৰ দাম দুবাৰ বৃদ্ধি পাইছে। পান-ডি কেপছুলৰ একোটা ষ্টিপৰ দামো পূৰ্বৰ ১৯০ টকাৰ পৰা ১৯৯ টকালৈ বৃদ্ধি পাইছে। লেনজ ২০ এম জি কেপছুলৰ একোটা ষ্টিপৰ দাম পূৰ্বতে ৫৫.৫২ টকা আছিল যদিও এতিয়া হৈছেগৈ ৬১.৪৮ টকা। সেইদৰে লিভোক্সাচিন টেবলেটৰ ১২.৪ শতাংশ, ডেক্সনা টেবলেটৰ ১০.৩৫ শতাংশ বৃদ্ধি পাইছে। ইফালে উচ্চৰক্তচাপ ব্যৱহৃত ঔষধ আৰু ডায়েবেটিছত ব্যৱহৃত ঔষধৰ দাম ১২ৰ পৰা ১৫ শতাংশলৈকে, বিভিন্ন ভিটামিনৰ দামো ১৪ শতাংশ পৰ্যন্ত আনকি চেলাইনৰ দাম ৰৰ শতাংশ পৰ্যন্ত বৃদ্ধি পাইছে। মন কৰিবলগীয়া কথা যে জ্বৰ, মূৰৰ বিষ আদিত আক্ৰান্ত হ'লে প্ৰায়সংখ্যক লোকেই বহু সময়ত চিকিৎসকৰ পৰামৰ্শ অবিহনে পেৰাচিটামল বা পেইনকিলাৰৰ দৰে দৰব সেৱন কৰি ৰোগৰ পৰা উপশম লাভ কৰে। কিন্তু এতিয়া সেই পেৰাচিটামলৰ দামো ১২ শতাংশ পৰ্যন্ত বৃদ্ধি পাইছে।

# মইনা নায়কলৈ ১৩,৪১,৪৯৮ টকাৰ চেক প্ৰদান মন্ত্ৰী সঞ্জয় কিষাণৰ

ৰঙিলী বাৰ্ত্তাসেৱা- শ্ৰম আৰু চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আই চি ইউ কক্ষত চিকিৎসাধীন হৈ থকা চাহ শ্ৰমিক মইনা নায়কৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে ডিব্ৰুগড় জিলাৰ সহকাৰী শ্ৰম আয়ুক্ত আৰু লক্ষ্মী টি কোম্পানী প্ৰাইভেট লিমিটেডৰ হৈ মুঠ ১৩,৪১,৪৯৮.০০ টকাৰ এখন চেক প্ৰদান কৰে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে ডিব্ৰুগড়ৰ লেপেটকটা



চাহ বাগিচাৰ শ্ৰমিক মইনা নায়ক কলঘৰৰ চি টি চি মেচিনৰ তলত ঝাড়ু মাৰি থাকোতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল।

# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত আজাদী কা অমৃত মহোৎসৱৰ সফল উদযাপন


ৰঙিলী বাৰ্ত্তাসেৱা- আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলক লৈ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক সুমন্ত ৰাজবংশীয়ে আঁত ধৰা অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অজিত হাজৰিকাই। উদ্বোধনী ভাষনত তেখেতে কয় যে বহু ত্যাগৰ বিনিময়ত আৰ্জিত স্বাধীনতাৰ মান আমাৰ আজিৰ প্ৰজন্মই ৰক্ষা কৰিবলৈ চেষ্টা কৰিব লাগিব। “স্বাধীনতাৰ ৭৫বছৰঃ প্ৰত্যাশা আৰু প্ৰাপ্তি”-এই



সম্পৰ্কত এক আকৰ্ষণীয় বক্তৃতা দাঙি ধৰে ৰাজনীতি বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক ড° জয়ন্ত বৰুৱাই। ড° বৰুৱাই বহু পৰিৱৰ্তন সাধন হ’লেও আমি এতিয়াও বহু দূৰ যাবলৈ বাকী আছে বুলি মন্তব্য কৰে। সামাজিক বৈষম্য আঁতৰাবৰ বাবে আমাৰ শিক্ষিত নৱপ্ৰজন্ম আগবাঢ়ি আহিব লাগিব বুলিও তেওঁ ছাত্ৰ-ছাত্ৰী সকলক আহ্বান জনায়। এই অনুষ্ঠানতে অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড° খঞ্জন কুমাৰ দাসে ত্যাগবীৰ হেম বৰুৱাৰ অৱদানৰ ওপৰত আলোকপাত কৰে। এই অনুষ্ঠানৰ পিছতে মহাাবিদ্যালয়ৰ স্নাতক মহলাৰ নৱাগত ছাত্ৰ-ছাত্ৰী সকলৰ বাবে তেওঁলোকৰ চি-বি-চি-এছ পাঠ্যক্ৰম সম্পৰ্কত এক আলোচনা অনুষ্ঠিত হয়। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰি গণিত বিভাগৰ মূৰব্বী অধ্যাপক ড° নৱ জ্যোতি হাজৰিকাই এই পাঠ্যক্ৰম সম্পৰ্কত বিশদ ব্যাখা আগবঢ়াই আৰু ছাত্ৰ-ছাত্ৰী সকলৰ এই পাঠ্যক্ৰম সম্পৰ্কত থকা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে।

# অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মহামান্য ৰাজ্যপাল মহোদয়লৈ গণিত আৰু বিজ্ঞানৰ মাধ্যমৰ কথালৈ উত্তৰ আমেৰিকাৰ প্ৰবাসী অসমীয়াৰ আবেদন প্ৰেৰণ

ৰঙিলী বাৰ্ত্তাসেৱা- অলপতে অসম চৰকাৰৰ মন্ত্ৰীসভাৰ চৰকাৰী বিদ্যালয়বোৰত তৃতীয়ৰ পৰা দ্বাদশ শ্ৰেণীলৈকে গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমেৰে শিক্ষাদানৰ সিদ্ধান্তৰ বিষয়ে উত্তৰ আমেৰিকাৰ প্ৰবাসী অসমীয়া সমাজৰ মতামত আৰু আবেদন যুটীয়াভাৱে ইমেইল যোগে প্ৰেৰণ কৰে ৮ আগষ্ট তাৰিখে দুটা মুখ্য সংগঠনৰ সভানেত্ৰী দুগৰাকীয়ে: অসম সাহিত্য সভা উত্তৰ আমেৰিকা (ASSNA)ৰ সভানেত্ৰী চৈয়দা জেবীন চাবীৰা শ্বাহ আৰু অসম এছ’ছিয়েশ্বন নৰ্থ আমেৰিকা (AANA) ৰ সভানেত্ৰী, শ্ৰীমতী পল্লবীতা ভূঞা। “আজাদীৰ অমৃত মহোৎসৱৰ” বছৰত উষ্ম সম্ভাষণ জনাই অসম আৰু ভাৰতৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি তেওঁলোকে ওপৰোক্ত সন্দৰ্ভত জনাই যে এই আবেদনত চহী কৰা উত্তৰ আমেৰিকা নিবাসী প্ৰবাসী অসমীয়া সকলৰ বহুতেই দশম বা একাদশ শ্ৰেণীলৈ অসমৰ বিভিন্ন ঠাইৰ চৰকাৰী বিদ্যালয়ৰ পৰা অসমীয়া মাধ্যমতেই শিক্ষা গ্ৰহণ কৰি শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ আহি, ভাৰতৰ আৰু বিদেশৰ বিভিন্ন উচ্চ শিক্ষাৰ অনুষ্ঠানৰ পৰা সফলভাৱে শিক্ষা সম্পূৰ্ণ কৰি আজি নিজৰ নিজৰ জীৱনত সুপ্ৰতিষ্ঠিত। অসমীয়া মাধ্যমটো এই গোটৰ কোনো




এজনৰে নিজৰ লক্ষ্যত উপনীত হোৱাত কেতিয়াও বাধা হোৱা নাই। এই চিঠিৰ চহীকৰ্ত্তাসকল অসমৰ বিভিন্ন চহৰ, নগৰ, গাঁও-ভুঁইৰ বিভিন্ন সামাজিক স্তৰৰ পৰা আহি, আজি এই স্থানত উপনীত হৈছে। অসমীয়া ভাষা কেতিয়াও কাৰো বাবে উচ্চশিক্ষাৰ পথত হেঙাৰ হোৱা নাই, বৰঞ্চ আই মাতৃৰ নাম উজলাবলৈ অসমীয়া ভাষাই সদায় উদগনিহে দি আহিছে। তেওঁলোকে অসমৰ প্ৰথম পশ্চিমীয়া শিক্ষাৰ বিদ্যালয়ৰ ঐতিহ্যমণ্ডিত ইতিহাসৰ বিষয়ে মনত পেলাই দি উল্লেখ কৰে, কিদৰে সেই বিদ্যালয়ৰ ন-পুৰণি সকলো ছাত্ৰই নিজৰে এজনক আজি অসমৰ মুখ্যমন্ত্ৰীৰ আসনত দেখি নিশ্চয় অতিশয় গৌৰৱান্বিত। সেইখন বিদ্যালয়ৰ সোণালী যুগত অসমৰ কোনো এখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ে শিক্ষান্ত পৰীক্ষাৰ ফলাফলত সেই ঐতিহ্যমণ্ডিত অসমীয়া মাধ্যমৰ বিদ্যালয়খনৰ লগত ফেৰ মাৰিব পৰা নাছিল। এই এটা উদাহৰণেই প্ৰমাণ কৰিব পাৰে যে মাতৃভাষাত শিক্ষাদান উচ্চশিক্ষাৰ বাটত হেঙাৰ হ’ব নোৱাৰে। যি সময়ত চৰকাৰী বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰায় বিলাকৰ ঘৰত অসমীয়া ভাষাতেই ছাত্ৰ-ছাত্ৰীক সহায় আগবঢ়াব পৰা লোকৰ অভাৱ, তেনে সময়ত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞানৰ দৰে ইমান গুৰুত্বপূৰ্ণ জৰুৰী বিষয় দুটা ইংৰাজীত শিকাবলৈ লোৱা সিদ্ধান্তটোৱে হিতে বিপৰীত হোৱাৰ সম্ভাৱনাহে বহু বেছি। তেওঁলোকে এই বিষয়ে ইউনেস্কোৰ (UNESCO) অতি স্পষ্ট মতামত দোঁহাৰে: বিজ্ঞান শিক্ষা মাতৃভাষাত দিলেহে ছাত্ৰ-ছাত্ৰী উপকৃত হয়। আবেদনত ব্যক্ত কৰে যে চৰকাৰী বিদ্যালয়ৰ সকলো স্তৰত উপযুক্ত ভাষা শিক্ষকৰ নিযুক্তি দি, ইংৰাজী এটা জৰুৰী বিষয় হিচাপে শিক্ষাদানত কোনো দ্বিমত থাকিব নোৱাৰে। কিন্তু বৰ্ত্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত সকলো দিশৰ পৰা চালি-জাৰি চাই, তেওঁলোকৰ দৃঢ়মত প্ৰকাশ কৰি আবেদন কৰে

( পাঁচ পৃষ্ঠাত চাওক)

# মাধ্যমিক শিক্ষা বিভাগে বৃদ্ধি কৰিলে ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা মাচুল


ৰঙিলী বাৰ্ত্তাসেৱা- কাগজ আৰু উত্তৰ বহী ছপা ব্যয় বৃদ্ধিৰ দোহাই দি মাধ্যমিক শিক্ষা বিভাগে বৃদ্ধি কৰিলে ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা মাচুল। নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ ছয়মাহিলি, বাৰ্ষিক আৰু প্ৰি-ব’ৰ্ড পৰীক্ষাৰ মাচুল বৃদ্ধি কৰা হৈছে। পূৰ্বৰ ৭০ টকাৰ পৰিৱৰ্তে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ১২০ টকাকৈ আদায় দিব লাগিব। মাধ্যমিক শিক্ষা বিভাগে প্ৰশ্নকাকতৰ নামত ৫২ টকা, উত্তৰ বহীৰ নামত ২৮ টাকা, বহী মূল্যায়নৰ বাবে ২০ টকা আৰু অনলাইন, পুনৰীক্ষণ আদি সেৱাৰ বাবে ২০ টকাসহ মুঠ ১২০ টকা মাচুল নিৰ্ধাৰণ কৰিছে।

# ৰাজ্যৰ আগশাৰীৰ শিক্ষানুষ্ঠানত লজ্জাজনক ঘটনা




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠানত সংঘটিত হৈছে এক লজ্জাজনক ঘটনা। শ্ৰেণী কোঠাৰ ভিতৰতে অশালীন কাৰ্যত লিপ্ত ছাত্ৰ-ছাত্ৰী। শিলচৰ ৰামানুজন গুপ্ত জুনিয়ৰ কলেজত সংঘটিত হৈছে এই ঘটনা। ছাত্ৰ-ছাত্ৰীৰ অশালীন ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল। শ্ৰেণী কোঠাৰ ভিতৰতে অসৎ কাৰ্যত লিপ্ত আছিল ৫ গৰাকী ছাত্ৰ-ছাত্ৰী। সেই ভিডিঅ কোনোৱে গোপনে কৰি ৰাখি সামাজিক মাধ্যমত দি দিয়ে। যাৰ পাছতে ভাইৰেল হৈ পৰে সেই ঘটনা। ভিডিঅ’ ভাইৰেল হোৱাৰ পিছতে কলেজ কৰ্তৃপক্ষই কঠোৰ স্থিতি গ্ৰহণ কৰে। ৭ গৰাকী ছাত্ৰ-ছাত্ৰীক কলেজৰ পৰা নিলম্বন কৰা হৈছে।

# এক মাইক্ৰ’চেকেণ্ডৰ মূল্য কিমান এইবাৰ বুজিলোঃ হিমা দাস



ৰঙিলী বাৰ্ত্তাসেৱা- মই কেতিয়াও শেষ হৈ নাযাওঁ। এক মাইক্ৰ’ চেকেণ্ডৰ মূল্য কিমান এইবাৰ বুজিলো। কমনৱেলথ গেমছৰ অভিজ্ঞতাৰে অনাগত দিনত আগবাঢ়িব অসম কন্যা ধিং এক্সপ্ৰেছ হিমা দাস। কমনৱেলথ গেমছৰ অভিজ্ঞতাৰ কথা সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিলে হিমা দাসে। সংবাদ মাধ্যমৰ আগত হিমাই কয় যে, “প্ৰতিযোগিতাত অংশ লৈ বহু কথা শিকিলো। পূৰ্বে এনেবোৰ অভিজ্ঞতা নাছিল। এক মাইক্ৰ’ ছেকেণ্ড কিমান গুৰুত্বপূৰ্ণ সেয়া কমনৱেলথ গেমছে শিকালে। ছেমি ফাইনেলৰ দিনা বহুত ঠাণ্ডা আছিল, মই কঁপি আছিলো। ২০১৮ত খেলৰ পৃথিৱীখনৰ সৈতে জড়িত হ’লো। তাৰ পাছতে আঘাত বাবে খেলিব পৰা নাছিলো। ক’ভিড, আঘাতৰ পিছত ২টা বছৰৰ অন্তত প্ৰতিযোগিতাত নামিছো। “হিমাই লগতে কয় যে, মই কেতিয়াও শেষ হৈ নাযাওঁ। মোৰ বাবে জিলা পৰ্যায়ৰ খেল যিমান গুৰুত্ব, অলিম্পিকো সিমানেই গুৰুত্ব। গতিকে আগত যি গেম আহে সেয়াই মোৰ লক্ষ্য। কমনৱেলথ গেমছৰ অভিজ্ঞতাৰে অনাগত দিনত আগবাঢ়িম।

২৮ শাওণ ১৪২৭ চন Rongili Barta, Date of Publication-- 14 August, 2022

# স্বাধীনতাৰ ৭৫ বছৰ আৰু অসম

**জয়ন্ত কলিতা,ৰঙিয়া**



১৯৪৬ চনত দ্বিতীয় বিশ্বযুদ্ধই জুৰুলি কৰা ব্ৰিটেইনৰ চৰকাৰে ভাৰতৰ ৰাজনৈতিক অস্থিৰতা দূৰ কৰাত হোৱা বিফলতা স্বীকাৰ কৰি লয়। অৱশেষত ১৯৪৭ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী ক্লীমেণ্ট এটলী (Clement Attlee) এ ১৯৪৮ চনৰ ভিতৰ ভাৰতবৰ্ষক স্বাধীনতা দিয়াৰ প্ৰতিশ্ৰুতি ঘোষণা কৰে। সেই সময়তে নতুনকৈ হোৱা ভাইচৰয় লুইছ মাইণ্টবেটেন (Louis Mountbatten) এ কংগ্ৰেছ আৰু মুছলিম লীগৰ ক্ৰমান্বয়ে বাঢ়ি গৈ থকা বিৰোধিতা হিংসুক ৰূপ লোৱাৰ আশংকা কৰি এই স্বাধীনতা প্ৰদানৰ প্ৰক্ৰিয়াটো খৰতকীয়া কৰি তোলে। তেওঁ দ্বিতীয় বিশ্বযুদ্ধত জাপানে আত্মসমৰ্পণ কৰাৰ দ্বিতীয় বাৰ্ষিকীৰ দিনটো অৰ্থাৎ ১৫ আগষ্টৰ দিনটো ইয়াৰ বাবে ঠিক কৰে। ১৯৪৭ চনৰ ৩ জুন তাৰিখে ব্ৰিটিছ চৰকাৰে দেশ বিভাজনৰ দাবী গ্ৰহণ কৰে। ভাৰতীয় স্বাধীনতা আইন (Indian Independence Act ১৯৪৭) অনুসৰি অৱশেষত ভাৰত আৰু পাকিস্তান নামেৰে বিভাজন কৰে। ভাৰতবৰ্ষই ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীনতা লাভ কৰে। কিন্তু স্বাধীনতা লাভৰ পূৰ্বে ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১৯২৯ চনৰ লাহোৰ দিনটোক ভাৰতৰ স্বাধীনতা দিৱস হিচাপে ঘোষিত হৈছিল। কংগ্ৰেছে জনগণক আইন অমান্য আন্দোলনৰ পন্থা অৱলম্বন কৰিবলৈ আহ্বান জনোৱাৰ লগতে ভাৰতবৰ্ষই পূৰ্ণাংগ স্বাধীনতা নোপোৱা পৰ্যন্ত “সময়ে সময়ে কংগ্ৰেছৰ তৰফৰ পৰা প্ৰচাৰিত নিয়মাৱলী” পালন কৰিবলৈ আহ্বান জনাইছিল। এই ধৰণৰ স্বাধীনতা দিৱস উদযাপনৰ মুখ্য উদ্দেশ্য আছিল- জনগণৰ জাতীয়তাবাদী উদ্দীপনাক জীপাল কৰি তোলা আৰু ইয়াৰ জৰিয়তে অধিবেশনত পূৰ্ণ স্বৰাজৰ ঘোষণা বা ভাৰতৰ স্বাধীনতাৰ ঘোষণা কৰা হৈছিল আৰু ২৬ জানুৱাৰী ১৯৩০ চনৰ পৰা ১৯৪৬ চনলৈকে কংগ্ৰেছে ২৬ জানুৱাৰী দিনটো স্বাধীনতা দিৱস হিচাপে উদযাপন কৰিছিল। এই উদযাপনৰ অনুষ্ঠানসমূহত অংশগ্ৰহণকাৰীসকলে “স্বাধীনতাৰ অংগীকাৰ” গ্ৰহণ কৰিছিল। জৱাহৰলাল নেহৰুৱে তেওঁৰ আত্মজীৱনীত এই অনুষ্ঠানসমূহ শান্তিপূৰ্ণ, গাম্ভীৰ্যপূৰ্ণ আৰু “কোনো ভাষণ বা বক্তৃতাবিহীন” আছিল বুলি বৰ্ণনা কৰিছে। গান্ধীৰ চিন্তাধাৰা অনুসৰি সভা সমিতিৰ উপৰিও এই দিনটো “কিছুমান গঠনমূলক কাম, যেনে সূতা কটা, অথবা অস্পৃশ্য সকলৰ সেৱা কৰা, অথবা হিন্দু আৰু মুছলমান সন্মিলন আয়োজন, অথবা বাধা আৰোপ বা এই সকলোবোৰ...” কাৰ্যসূচীৰ মাজেৰে পালন কৰা হওক। ১৯৪৭ চনৰ প্ৰকৃত স্বাধীনতা প্ৰাপ্তিৰ পিছত ভাৰতৰ সংবিধান ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা বলবৎ হৈছিল আৰু তেতিয়াৰে পৰা ২৬ জানুৱাৰী দিনটোক গণতন্ত্ৰ দিৱস আৰু ১৫ আগষ্টৰ দিনটোক স্বাধীনতা দিৱস হিচাপে উদযাপিত হৈ আহিছে। ১৯৪৭ চনৰ পৰা বৰ্তমানলৈকে চাওতে চাওতে ভাৰতবৰ্ষই স্বাধীনতাৰ কেইবাটাও বছৰ অতিক্ৰম কৰিলে। ২০২১ চনত ভাৰত বৰ্ষই স্বাধীনতাৰ ৭৫ টা বছৰত ভাৰি দিলে। এই মুহুৰ্তটোক স্মৰণীয় কৰি তুলিবলৈ তথা স্বাধীনতা আন্দোলনৰ প্ৰকৃত অৰ্থটোক আজিৰ প্ৰজন্মৰ লগতে সমাজত উপস্থাপন কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মমোডী ডাঙৰীয়াই ‘আজাদী কা অমৃত মহোৎসৱ’ শীৰ্ষক নামেৰে এক অনুষ্ঠান সমগ্ৰ দেশতেই ইতিমধ্যে আৰম্ভ কৰিছে। নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৈছে -“দেশখনৰ স্বাধীনতাৰ অমৃত মহোৎসৱ হৈছে কোটি কোটি ভাৰতীয়ৰ এটি পৰ্ব, যি হৈছে সমগ্ৰ ভাৰতৰে ঐতিহ্য, তদুপৰি এয়া হৈছে স্বাধীনতা সংগ্ৰাম আৰু স্বাধীন ভাৰতৰ গৌৰৱময় প্ৰগতিৰ প্ৰতিফলন। এই উৎসৱে বিশ্বখনক আমাৰ ৭৫ বছৰৰ সফলতাসমূহ প্ৰদৰ্শন কৰিছে আৰু এয়া হৈছে অহা ২৫ বছৰৰ অৰ্থে উন্নয়নৰ ৰূপৰেখা অংকন আৰু সংকল্প গ্ৰহণৰ বাবে অনুপ্ৰেৰণা লাভৰ এটি উপলক্ষ্য”। স্বাধীনতাৰ ৭৫ বছৰ ভাৰতৰ সামাজিক, সংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক মুহুৰ্তৰো এক প্ৰতিক। ভাৰত চৰকাৰে ১৫ আগষ্ট, ২০২২ত ভাৰতৰ স্বাধীনতাৰ ৭৫ বৰ্ষৰ মহোৎসৱ, ৰাষ্ট্ৰীয় আৰু আন্তৰ্ৰাষ্ট্ৰীয় স্তৰত স্বাধীনতাৰ অমৃত মহোৎসৱৰ ৰূপত পালন কৰাৰ সিদ্ধান্ত লৈছে। এই মহোৎসৱৰ মাননীয় গৃহমন্ত্ৰীৰ অধ্যক্ষতাত ইতিপূৰ্বে এখন ৰাষ্ট্ৰীয় কাৰ্যান্বয়ন সমিতি গঠন কৰা হৈছে। এই সমিতিয়ে ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰৰ উদযাপনৰ সময়ত ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ দ্বাৰা কৰা কাৰ্যক্ৰমৰ বিষয়ে সিবিলাকৰ পথ প্ৰদৰ্শন কৰিব। ইয়াৰ বাবে সচিবসকলৰ এখন অন্য সমিতিও গঠন কৰা হৈছে। চৰকাৰে এতিয়া মাননীয় প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ২৫৯জন

(আঠপৃষ্ঠাত চাওক)

# সংখ্যাৰ বিভাজ্যতা

**বন্দিতা শৰ্মা কন্দলি,দেৰগাঁও**




ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ ৰাজাই অংক কৰি খুব ভাল পায়। অংক ভাল পোৱাৰ কাৰণো ৰাজাই আৱিষ্কাৰ কৰিছে। সি তাৰ বন্ধু নয়নক কয় অংকৰ দৰে সহজ বিষয় আৰু নাই। কাৰণ বানান ভুল হোৱাৰ সম্ভাৱনা কম, দীঘল দীঘল দফা মুখস্থ কৰিবলৈ নাথাকে। কেৱল নেওতা খন মুখস্থ ৰাখিলেই হয়। ৰাজাৰ কথাবোৰ নয়নৰ ফুটনি মৰা যেন অনুভৱ হ'ল। সি ৰাজাৰ ফুটনিত ফুটছাই ছটিয়াবলৈ বুলি এটা বুদ্ধি পাঙিলে। নয়নে ৬৩২৮৫৬০ সংখ্যাটো দেখুৱাই সুধিলে - ৰাজা তুমি চকুৰে চাই কৈ দিয়াচোন এই সংখ্যা টো কি কি সংখ্যাৰে বিভাজ্য হ'ব? ৰাজাই তপৰাই ক'লে - অ' .. ২, ৩, ৪, ৫, ৬, ৭, ৮, ১০, ১৫, ২১ আদিৰে বিভাজ্য! আৰু ক'ব লাগে নেকি? ৰাজাৰ উত্তৰ শুনি নয়নৰ চকু থৰ হ'ল! নয়নে ক'লে - ৰাজা, বিভাজ্যতাৰ কিটিপ বোৰ কোৱাচোন আমাকো! ৰাজাই ক'লে শুনা তেনে - কোনো সংখ্যাৰ এককৰ স্থানত ০, ২, ৪, ৬, ৮ ৰ যি কোনো এটা সংখ্যা থাকে তেতিয়া সংখ্যা টো ২ ৰে বিভাজ্য হয়।

কোনো সংখ্যাৰ অংক কেইটাৰ যোগফল ৩ ৰে বিভাজ্য হ'লে গোটেই সংখ্যাটোৱে ৩ ৰে বিভাজ্য হ'ব।

সংখ্যা এটাৰ একক আৰু দহক ৰ ঘৰৰ অংক দুটা শূণ্য হ'লে বা ৪ ৰে বিভাজ্য হ'লে গোটেই সংখ্যাটোৱে ৪ ৰে বিভাজ্য হ'ব।

কোনো সংখ্যাৰ এককৰ স্থানত শূণ্য বা ৫ থাকিলে সংখ্যাটো ৫ ৰে বিভাজ্য হ'ব।

কোনো সংখ্যা ২ আৰু ৩ ৰে বিভাজ্য হ'লে গোটেই সংখ্যাটোৱে ৬ ৰে বিভাজ্য হ'ব।

সংখ্যা এটাৰ সোঁহাতৰ পৰা তিনিটা অংকৰ থুপ কৰি ডাঙৰ থুপটোৰ পৰা সৰু টো বিয়োগ কৰিলে বিয়োগ ফলটো ৭ ৰে বিভাজ্য হ'লে গোটেই সংখ্যাটোৱে ৭ ৰে বিভাজ্য হ'ব।

অথবা সংখ্যা টোৰ এককৰ স্থানৰ অংকটোৰ দুগুণ শতক আৰু দহকৰ স্থানৰ অংকটোৰে গঠিত সংখ্যা টোৰ পৰা বিয়োগ কৰিলে বিয়োগ ফল ৭ ৰে বিভাজ্য হ'লে গোটেই সংখ্যাটোৱে ৭ ৰে বিভাজ্য হ'ব। যেনে ৬৭২ সংখ্যাটোৰ একক স্থানত থকা ২ক দুগুণ কৰিলে হ'ব ৪। ২ ক বাদ দিলে সংখ্যাটো হ'ব ৬৭। এতেকে ৬৭-৪=৬৩ পাম। ৬৩ ক ৭ৰে বিভাজ্য। সেয়ে ৬৭২ সংখ্যা টো ৭ ৰে বিভাজ্য হ'ব।

৩ আৰু ৭ ৰে বিভাজ্য সংখ্যা ২১ ৰে ও বিভাজ্য হ'ব।

৩ আৰু ৫ৰে বিভাজ্য হ'লে সংখ্যা টো ১৫ ৰে ও বিভাজ্য হ'ব।

একক, দহক আৰু শতক ঘৰৰ তিনিটা অংক শূণ্য হ'লে বা ৮ ৰে বিভাজ্য হ'লে গোটেই সংখ্যাটোৱে ৮ ৰে বিভাজ্য হ'ব।


সংখ্যাত থকা অংক কেইটাৰ যোগফল যদি ৯ ৰে বিভাজ্য হয় তেনে গোটেই সংখ্যাটোৱে ৯ ৰে বিভাজ্য হ'ব।

কোনো সংখ্যাৰ এককৰ ঘৰত শূণ্য

(আঠপৃষ্ঠাত চাওক)

# আকাশৰ বুকুত আকৌ এবাৰ

**সংগীতা বৰুৱা,গুৱাহাটী**



মোৰ প্ৰিয় আকাশক আজি আকৌ এবাৰ সুধিলোঁ:
“সঁচা মানুহৰ অভাৱ নে ইমান?
সকলোতে কেৱল মুখাৰ আঁৰৰ মুখ।
দুয়োখন মুখ, মাত্ৰ এজন মানুহ!”
আকাশ ক'লে:“এতিয়া প্ৰস্তুতিৰ সময়,
কবিতাৰ ভাষাত শাণ দিয়া,
কঠোৰৰ পৰা কঠোৰ হৈ উঠা,
মুখাৰ আঁৰৰ মুখবোৰ চিনিবলৈ প্ৰস্তুত হোৱা!”
মই নিঃশব্দ, নিৰ্বিকাৰ, জীৱনৰ শিক্ষাৰে দীক্ষিত, একাকাৰ।
একান্ত হেঁপাহৰ সকলো হেৰুৱাই আজি মই দেৱলীয়া!
জীৱনে শিকালে মোক
ভাললগাবোৰ নিজৰ কৰি বিচৰাটো মুৰ্খামি
বিলাই দিয়াই কেৱল জীয়াই থকাৰ মূল ।
আৰু অৱশেষত মোৰ প্ৰিয় প্ৰতিটো বস্তু জীৱনে কাঢ়ি নিলে
বিনাদ্বিধাৰে
আৰু বাকীখিনি মই বিলাই দিলোঁ স্ব-ইচ্ছাৰে!
আজি মোৰ আপোন বুলিবলৈ একো নাই
কেৱল তুমি বুলি বুকুৰ কোণত জী আছে অৱান্তৰ সোঁৱৰণি!

# নগাঁৱৰ টুকটুকীত ড্ৰাগছসহ মহিলা আটক



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও জিলাত দীৰ্ঘদিনৰে পৰা নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই আহিছে যদিও আৰক্ষীৰ চকুত ধূলি দি অসাধু চক্ৰই অব্যাহত ৰাখিছে ড্ৰাগছৰ গোপন বেহা । ইয়াৰ মাজতে জিলাখনৰ আহোমগাঁও আৰক্ষী পহৰা চকীৰ এলেকাধীন টুকটুকীত আজি বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছসহ এগৰাকী মহিলা আৰক্ষীৰ জালত পৰা ঘটনাই ৰাইজৰ মাজত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে । প্ৰাপ্ত খবৰ মতে, টুকটুকীৰ ছাদ্দাম হুছেইন নামৰ লোকজনৰ ঘৰত নিষিদ্ধ ড্ৰাগছৰ বেহা চলি থকাৰ কথা গোপন সূত্ৰে জানিব পাৰি আহোমগাঁও আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বুধুৰাম দাসৰ নেতৃত্বত আৰক্ষীৰ দলে অভিযান চলাই । এই অভিযানত লোকজনৰ ঘৰৰ পৰা ড্ৰাগছভৰ্তি দুটা চাধাৰ টেমা আৰু পোন্ধৰটা কন্টেইনাৰ আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয় । উদ্ধাৰ কৰা ড্ৰাগছখিনিৰ পৰিমাণ ৩.০২ গ্ৰাম। এই অভিযানৰ উমান পাই ছাদ্দাম হুছেইনে পলায়ণ কৰে যদিও তেওঁৰ পত্নী এলবিনা বেগম ওৰফে ৰেবিজা বেগমক আৰক্ষীয়ে আটক কৰে । উল্লেখ্য, ধৃত মহিলাগৰাকীৰ বিৰুদ্ধে পূৰ্বতেও আছিল ৰাজহুৱা অভিযোগ। আনকি আৰক্ষীয়ে কেইবাবাৰো অভিযান চলাইছিল যদিও অভিযানত সফল হব পৰা নাছিল। বৰ্তমান আৰক্ষীয়ে অধিক তথ্য লাভৰ বাবে মহিলাগৰাকীক জেৰা অব্যাহত ৰাখিছে।

# অসমৰ মাননীয়

যাতে চৰকাৰে অনতিপলমে অসমৰ চৰকাৰী বিদ্যালয়ত ইংৰাজী মাধ্যমেৰে গণিত আৰু বিজ্ঞান বিষয়ৰ শিক্ষাদানৰ সিদ্ধান্ত পৰিহাৰ কৰে, আৰু চৰকাৰী বিদ্যালয়বোৰত উপযুক্ত পৰিমাণে প্ৰশিক্ষিত ইংৰাজী ভাষাৰ বিষয় শিক্ষককহে যেন নিযুক্তি দিয়ে। তেওঁলোকে আশাকৰে যে এই অতি গুৰুত্বপূৰ্ণ বিষয়টোৰ উচিত মীমাংসা কৰি অসমৰ উঠি অহা প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যত গঢ়াত মহৎ অৰিহণা যোগায়।

# স্বাধীনতাৰ ৭৫ বছৰ

ওপৰত 'তিৰংগা ব'ট ৰেলী'ৰ আয়োজন কৰে।ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে ৭৫খন মেচিন নাও ত্ৰিৰংগা আৰু বেলুনেৰে সুন্দৰকৈ সজাই পৰা তোলা হয়।এই নাওসমূহেৰে ধুবুৰী কাচাৰী ঘাটৰ পৰা চালাকুৰা চৰলৈ উলিওৱা হয় ৰেলী। ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ উদযাপনৰ বাবে ধুবুৰীৰ চৰ অঞ্চলত বাস কৰা হাজাৰ হাজাৰ লোকক সজাগ কৰাৰ বাবে ধুবুৰী উপায়ুক্তই এই উদ্যোগ গ্ৰহণ কৰে। এই দৃশ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।




JANASANYOG- 1767/22

# আজাদী কা অমৃত মহোৎসৱ

## "হৰ ঘৰ ত্ৰিৰংগা"

**হিমাদ্ৰী বৰকটকী, নগাঁও**



স্বাধীনতাৰ দিৱস হৈছে আমাৰ দেশৰ এক ৰাষ্ট্ৰীয় দিৱস। আমাৰ দেশ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে। কাৰন সেই দিনটোতে ভাৰতবাসীয়ে ২০০ বছৰীয়া বৃটিছ শাসনৰ অন্ত পেলায় স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছিল। তেতিয়াৰ পৰা ১৫ আগষ্ট তাৰিখটো স্বাধীনতা দিৱস হিচাপে পালন কৰা হয়। এই স্বাধীনতা লাভ কৰিবলৈ বহুতো স্বাধীনতা সংগ্ৰামী আৰু বীৰ পুৰুষে বিভিন্ন সংগ্ৰাম আৰু আন্দোলন কৰাৰ লগতে বহুজনে দেশ মাতৃৰ বাবে নিজৰ জীৱনো বলিদান দিছিল। সেই সকলৰ ভিতৰত মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, নেতাজী সুভাষচন্দ্ৰ বসু, ৰানী লক্ষ্মী বাই, মঙ্গল পাণ্ডে, ভগত সিং, চৰ্দাৰ বল্লভ ভাই পেটেল, দাদাভাই নৰোজীৰ আদিৰ দৰে বহুতো জাতীয়তাবাদী নেতাই ভাৰতবৰ্ষক বৃটিছ শাসনৰ পৰা মুক্ত কৰিবলৈ নিজৰ জীৱন উৎসৰ্গা কৰিছিল। সেই মহান ব্যক্তি সকলৰ অৱদান আৰু প্ৰচেষ্টা ভাৰতৰ স্বাধীনতা ইতিহাসত সদায় স্মৰণীয়।

স্বাধীনতা দিৱসৰ দিনা দিল্লীৰ লালকিল্লাত প্ৰধান মন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। আৰু স্কুল কলেজ, বিশ্ববিদ্যালয়, ব্যৱসায়িক প্ৰতিস্থান আৰু নিজ নিজ বাসগৃহত আদি কৰি সকলো ৰাজহুৱা স্থানত জাতীয় পতাকা উত্তোলন কৰা হয়। লগতে সকলোৱে মিলি একেলগে আমাৰ ৰাষ্ট্ৰীয় সংগীত "জন গন মন..." পৰিবেশন কৰে । এই দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন অনুষ্ঠান পতা হয়।

২০২২ চনৰ স্বাধীনতা দিৱস হৈছে আমাৰ দেশৰ ৭৫ তম্ স্বাধীনতা দিৱস। এই দিৱস উপলক্ষে "হৰ ঘৰ ত্ৰিৰংগা" অৰ্থাৎ প্ৰতিটো ঘৰতে ত্ৰিৰংগা পতাকা উত্তোলন কৰি "স্বাধীনতাৰ অমৃত মহোৎসৱ" পালন কৰিবলৈ ভাৰতৰ জনগনক মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনায়। তেওঁ ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ আমাৰ জাতীয় পতাকাখন ঘৰে ঘৰে উত্তোলন কৰি ৰাখিবলৈ জনসাধাৰণক আহ্বান জনায়।

ত্ৰিৰংগা পতাকা খন হৈছে আমাৰ স্বাভিমান, আমাৰ গৌৰৱ, আমাৰ পৰিচয়। যেতিয়ালৈকে সূৰ্য চন্দ্ৰ থাকিব আমাৰ ত্ৰিৰংগা পতাকাখন জিলিকি থাকিব। এই পতাকাখনৰ তলত আমি সকলোৱে মিলি একেলগে দেশৰ কাৰনে ভাল কাম কৰিম বুলি দৃঢ় প্ৰতিজ্ঞ হ'ব লাগে। বিজয়ী বিশ্ব ত্ৰিৰংগা আমাৰ, ভাৰত দেশ মহান আমাৰ ।

**"জয় হিন্দ"**

# আজাদী কা অমৃত

উদগনি দিছে।

মহমানৰ মহাত্মা গান্ধীৰ আহ্বানত দেশজুৰি চলা গণ আন্দোলনত সকলোৱে অশেষ কষ্ট স্বীকাৰ কৰিলে, বহুতো শ্বহীদ হ'ল, বহুতৰ তেজেৰে দেশৰ ভূমি ৰক্তাক্ত হ'ল। বহুতো ঘাত প্ৰতিঘাত আৰু বলিদানৰ ফলস্বৰূপে আমি স্বাধীনতা পালো। পৰৱৰ্তী এই ৭৫ বছৰতো আমি বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছো। তথাপিও আমি সকলো বাধা বিঘিনি নেওচি আগুৱাই গৈছো আৰু বৰ্তমান সমগ্ৰ বিশ্বতে ভাৰতবৰ্ষ এই উল্লেখনীয় দেশ হিচাপে পৰিগণিত হৈছে।

বিভিন্ন ধৰ্ম আৰু জাতি-জনজাতিৰ সমষ্টি হ'ল এই বিশাল দেশ ভাৰত। বিভিন্ন প্ৰান্তৰ ভাষাও বেলেগ বেলেগ, তথাপিও অনৈক্যৰ মাজত ঐক্য হিচাপে আমি সকলো ভেদাভেদ নেওচি ঐক্যবদ্ধভাৱে আগুৱাইছো। দেশৰ স্বাধীনতাৰ ক্ষেত্ৰতো প্ৰতিটো প্ৰান্তৰ মানুহৰ অৱদান আছে। আমাৰ সভ্যতা, আমাৰ সংস্কৃতি অতি পুৰণি, সেইদৰে আমাৰ সমন্বয়ৰ ভেটিও অতি মজবুত।

বিগত ৭৫বছৰে ভাৰতে যথেষ্ট উন্নতি কৰিছে আৰু আজিও ইয়াৰ অবিৰত প্ৰচেষ্টা চলি আছে। সকলো পিনৰ পৰা যাতে দেশখন আৰু সমৃদ্ধিশালী হয়, তাৰবাবে সকলোৱে যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব। সামুহিক সংকল্প, সুনিৰ্দিষ্ট পৰিকল্পনা আৰু প্ৰচেষ্টাৰে দেশত এক নতুন দিগন্তৰ সৃষ্টি কৰা আমাৰ সকলোৰে উদ্দেশ্য হ'ব লাগিব। ক্ৰমাগ্বয়ে ভাৰতবৰ্ষই অন্যতম শক্তিশালী দেশ হৈ বিশ্বগুৰু হিচাপে এক নতুন আত্মপ্ৰকাশৰ দিশে আগবাঢ়িছে। সমগ্ৰ বিশ্বই ভাৰতৰ এই অদম্য মনোভাৱ আৰু আশাব্যঞ্জক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখিছে। বিশ্বৰ অন্যতম প্ৰাচীন সভ্যতা, জ্ঞানৰ কেন্দ্ৰ হোৱাৰ বাবে ভাৰতবৰ্ষ সামাজিক, সাংস্কৃতিক, বৌদ্ধিক আৰু ৰাজনৈতিকভাৱে সবল আৰু ভাৰতবৰ্ষ মহানতা, অভিজ্ঞতাৰে পুষ্ট।

প্ৰত্যেক ব্যক্তি, গোট, সমাজ সকলোৱে নিজৰ ভূমিকা পালন কৰি, সকলোৰে সহযোগত আমি বিশ্বৰ সন্মুখত ভাৰতবৰ্ষৰ গৌৰৱধ্বজা উৰুৱাম।

এই "আজাদী কা অমৃত মহোৎসৱ"ৰ জৰিয়তে দেশৰ প্ৰতিগৰাকী নাগৰিকৰ মনত দেশপ্ৰেম জাগি উঠক, কৰ্তব্যনিষ্ঠা, সততা আৰু দক্ষতাৰে দেশৰ উন্নতিৰ বাবে সকলোৱে কাম কৰি যাওক তাৰেই কামনা কৰিছো। শেষত, আকৌ এবাৰ স্বাধীনতাৰ সকলো বীৰ-বীৰাঙ্গনা আৰু শ্বহীদক প্ৰণিপাত জনাইছো।

# স্বাধীনতাৰ অমৃত মহোৎসৱ আৰু অন্তৰৰ অনুভৱ



**ফখৰুদ্দিন আহমেদ, ছিপাঝাৰ**

মহান মাতৃভুমি ভাৰতবৰ্ষই ইংৰাজ সকলৰ কবলৰ পৰা স্বাধীনতা লাভ কৰি চলিত ইং ২০২২ বৰ্ষত ৭৫ বছৰত ভৰি দিলে। স্বাধীনতা দিৱসে হীৰক জয়ন্তী অতিক্ৰম কৰাৰ বাবে ভাৰত চৰকাৰে স্বাধীনতাৰ অমৃত মহোৎসৱ অনুষ্ঠিত কৰিবলৈ দেশৰ প্ৰতিটো পৰিয়াল, অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, সামাজিক প্ৰতিষ্ঠান আদিক আহ্বান জনাইছে। অৱশ্যে এই আহ্বানৰ প্ৰতি সকলোৱে সাৰ্বজনীন ভাবে সঁহাৰি দিয়াও পৰিলক্ষিত হৈছে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ বিগত ৭৫ বছৰত বিশ্ব সম্প্ৰদায়ৰ মাজত লাভ কৰা স্বীকৃতি আৰু প্ৰভাৱ বাৰুকৈয়ে আদৰ্শনীয়। ৰাজনৈতিক দিশৰ পৰা পাৰমানবিক শক্তি আহৰণলৈ ভাৰতবৰ্ষই বিশ্বৰ প্ৰভাৱশালী দেশ সমূহৰ মাজত স্থান লাভৰ ক্ষেত্ৰত বাৰুকৈয়ে সফলতা লাভ কৰিছে।

এই স্বাধীনতা দিবসৰ উপলক্ষ্যত দেশক স্বাধীন কৰিবলৈ গৈ কৰা সংগ্ৰামী সকলৰ ত্যাগ আৰু প্ৰাণ আহুতি দিয়া কাৰ্যৰ স্মৰণ আৰু এই পৰিক্ৰমাৰ ইতিহাসক উত্তৰ প্ৰজন্মৰ বাবে আদৰ্শনীয় আৰু অনুকৰণীয় ৰূপত সংৰক্ষণ কৰাৰ নৈতিক দায়িত্ব সাম্প্ৰতিক সময়ৰ প্ৰজন্মৰ ওপৰত আহি পৰিছে।

সাম্প্ৰতিক সময়ৰ ভাৰতবৰ্ষক সাম্প্ৰদায়িক আৰু অৰ্থনৈতিক পৰিকাঠামোৰ বিধ্বস্ততাই গ্ৰাস কৰিবলৈ আৰম্ভ কৰিছে। মূৰ্ত উন্নয়ণ বহুত হৈছে যিবোৰে দেশৰ জনতাক সকাহ দিছে, বিশ্বৰ মানচিত্ৰত লগতে বিশ্ব সম্প্ৰদায়ৰ মাজত এক অনন্য স্থান অধিকাৰ কৰিছে। কিন্তু ভেদ ভাৱৰ ৰাজনীতি আৰু অৰ্থনৈতিক ভাবে চৰকাৰে লোৱা বৈষম্যতাৰ বাবে দেশৰ আভ্যন্তৰীণ পৰিকাঠামোত আঘাত হোৱা দেশবাসীৰ দৃষ্টিত পৰিছে।

দেশৰ উন্নয়ণৰ আভ্যন্তৰীণ পৰিকাঠামোৰ নিৰ্মাণত অৱিহনা যোগোৱা মূল দিশ দুটা হৈছে অসাম্প্ৰদায়িক সমাজ ব্যৱস্থা আৰু অৰ্থনৈতিক স্বাধীনতা। ভাৰতবৰ্ষৰ

( আঠপৃষ্ঠাত চাওক)

# অভিজ্ঞতা

**সংযুক্তা দত্ত,**
**দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়**




জীৱনত অভিজ্ঞতা লাভ কৰাটো অতি প্ৰয়োজনীয়। আমি যেতিয়া কিছুমান কাম কৰোঁ তেতিয়া আমাৰ সেই কামটোৰ পৰা লাভ হওঁক বা নহওঁক কিন্তু অভিজ্ঞতা নিশ্চয় হয়। প্ৰতিটো কামেই আমাক কিছুমান অভিজ্ঞতা দি থৈ যায়। আৰু সেই অভিজ্ঞতাৰ পৰা হে আমি বেলেগ এটা কাম কৰিবলৈ উৎসাহ পাওঁ। যেতিয়া এজন বয়োজেষ্ঠ ব্যক্তিয়ে কথা কৈ থাকে আমি কথাখিনি শুনিব লাগে। কাৰণ তেওঁলোকে অভিজ্ঞতা ফালৰ পৰা হে কিছুমান কথা কয়। সেই কাৰণেই কিছুমান লোকক কোৱা হয় কিছু অভিজ্ঞতাৰ অভিব্যক্তি বুলি। যেতিয়া নতুন ঠাই এডোখৰলৈ ফুৰিবলৈ যোৱা হয় তেতিয়াও মানুহৰ বহুত অভিজ্ঞতা হয়। এজন মানুহৰ পৰা পোৱা কিছুমান অভিজ্ঞতাই আমাক কেতিয়াবা বহুত সহায় কৰে। কিন্তু নিজৰ পৰা পোৱা অভিজ্ঞতাই হে জীৱনত আগুৱাই যোৱাত সহায় কৰে।




JANASANYOG- 1763/22

# Time

**Prantar Buragohain**



Who has time for anyone else,
Who has time to wait and bless.
Who has time to listen others,
Who has time to help others.
Criticizing others is well and fine,
Developing ourselves? We don't have
time.
Waking up early is a waste of time,
Sleeping late? That's okay that's fine.
For TV shows, movies and rides? Never
late,
For classes and office?
Oh! Little late it's fine.
For gossips and games we can manage
some
time,
For studies and projects?
It's already nine.
Fool he is who is wasting time,
Use it wisely it's high time.

# ফোঁফলু

**হেমা চৌধুৰী গগৈ**



এখন সভাৰ পৰা আহিলোঁ
বহু কথা শুনিলোঁ আৰু বহু কথা নিজেও ক'লোঁ
কোৱাৰ সময়ত একো ভবা নাছিলোঁ
শুনি থাকোতেও আনৰ লগত হাত চাপৰি দিছিলোঁ
ভাল ভাল কথাবোৰৰ মাজে মাজে
যিমান পাৰোঁ জোৰেৰে হাত চাপৰি দিছিলোঁ
কথাবোৰ সেইবোৰেই আছিল
যিবোৰ আমি সদায় শুনি থাকোঁ,
আলোচনা কৰোঁ
তাৰ মাজত শিশু সুৰক্ষা আৰু দৰিদ্ৰতাই আছিল প্ৰধান
সভাত কথাবোৰ কৈ বা আলোচনা কৰি বৰ ভাল লাগে
সিদিনা সভাৰ পৰা ঘূৰি অহাৰ পথত
এজাক খাবলৈ নোপোৱা মৰকেৰেপাই বৰ দিগদাৰ কৰিলে
ট্ৰেফিক জামত সিহঁতৰ বাবেই গাড়ীৰ গ্লাচ ভাগি পৰিব যেন
লাগিছিল
দহ টকা এটা বেলুনৰ দাম
বিশ টকাত তিনিটা কিনি আনিলোঁ
আমাৰ আদৰৰ মইনাটোলৈ ।
সভাবোৰত কথা কৈ সঁচাকৈ ভাল লাগে
কথা ক'ব পৰাটোও এটা আৰ্ট।

# স্বাধীনতাৰ ৭৫ বছৰ আৰু অসম

সদস্যৰ এখন ৰাষ্ট্ৰীয় সমিতি গঠন কৰিছে। এই ৰাষ্ট্ৰীয় সমিতিত সমাজৰ সকলো ক্ষেত্ৰৰ গণ্যমান্য ব্যক্তি আৰু নাগৰিক অন্তৰ্ভুক্ত আছে। এই সমিতিয়ে ভাৰতৰ স্বাধীনতাৰ ৭৫তম বৰ্ষ উপলক্ষে আয়োজিত হ'বলগীয়া মহোৎসৱৰ বাবে ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় স্তৰত কাৰ্যক্ৰম সম্পৰ্কীয় নীতিগত নিৰ্দেশনা আৰু পথ প্ৰদৰ্শন কৰিব। এই সমাৰোহৰ শুভাৰম্ভ ১৫ আগষ্ট, ২০২২ৰ পৰা ৭৫ সপ্তাহ আগতে অৰ্থাৎ ১২ মাৰ্চ, ২০২১ত প্ৰস্তাৱিত। সেইদিনা মহাত্মা গান্ধীৰ নেতৃত্বত কৰা ঐতিহাসিক নিমখ সত্যাগ্ৰহৰ ৯১তম বৰ্ষপূৰ্তিও। ১২ মাৰ্চ, ২০২১ত আৰম্ভ হোৱা এই স্মৰণ উৎসৱৰ অন্তৰ্গত আৰম্ভণিৰ কামকাজৰ সৈতে জড়িত কাৰ্যক্ৰমত উচ্চ স্তৰীয় সমিতিৰ মাননীয় সদস্যসকলৰ সৈতে দিহা-পৰামৰ্শ কৰাৰ উদ্দেশ্যে এই সমিতিৰ প্ৰথম বৈঠক ৮ মাৰ্চত, ২০২১ত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

সুদীৰ্ঘ ৭৫ বছৰত ভাৰতে নিজৰ স্বাধীনতা অক্ষুণ্ণ ৰাখি অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত উন্নতিৰ ন ন মাত্ৰা গঢ়িবলৈ সক্ষম হৈছে। বিকশিত ভাৰতবৰ্ষত অসমেও নিজৰ নৱ-উন্মেষৰ সূচনা কৰিছে। এখন আত্মবিশ্বাসী অসমৰ স্বপ্ন লাহে লাহে বাস্তৱায়িত হোৱাৰ পথত আগবাঢ়িছে। ১২৫ বছৰীয়া অলিম্পিকৰ ইতিহাসত অসমে লাভলীনা বৰগোহাঁইৰ জৰিয়তে প্ৰথমটো পদক জয়ৰ অভিলেখ অসমে গঢ়িলে। ইয়াৰ উপৰিও কমনৱেলথৰ ইতিহাসত প্ৰথম টো স্বৰ্ণ জয় এগৰাকী অসম সন্তানৰ। লনবলৰ দলীয় শাখাত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে জয় কৰি স্বৰ্ণ জয় কৰিলে অসমৰ কন্যা নয়নমণি শইকীয়াই। এখন অপৰাধমুক্ত আৰু সমস্যামুক্ত অসম গঢ়ি অসমৰ বিকাশক এটা নতুন আয়তন প্ৰদান কৰিবলৈ ৰাজ্যৰ চৰকাৰখনে অসমৰ ৰাইজক সাহস আৰু প্ৰেৰণাও যোগাইছে। এয়া আগন্তুক সময়ৰ বাবে অতিশয় শুভ সংকেত। এখন আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰশীল অসম নিৰ্মাণৰ। ৭৫ সংখ্যক স্বাধীনতা দিৱস অসমৰ বাবে কেইবাটাও কাৰণত হ'ব ব্যতিক্ৰম আছিল। প্ৰতিবছৰে অসমৰ ৰাইজে স্বাধীনতা দিৱসত সন্মুখীন হৈ আহিছিল বাধাৰ। বিশেষকৈ সংযুক্ত মুক্তি বাহিনী চমুকৈ আলফাই জন্মলগ্নৰে পৰা স্বাধীনতা দিৱস বৰ্জন কৰিবলৈ আহ্বান কৰি আহিছিল। সংগঠনটোৱে এই স্বাধীনতা দিৱসত বিভিন্ন কুটাঘাটমূলক কাৰ্য সংঘটিত কৰি আহিছিল। কিন্তু ৭৫ সংখ্যাক স্বাধীনতা দিৱসত অসমৰ জনতাক আলফাই তেনে কোনো আহ্বান জনোৱা নাছিল। কেৱল সংগঠনটোৱে কোভিডৰ মাজতে চৰকাৰে স্বাধীনতা দিৱস উদযাপনৰ বাবে চলোৱা প্ৰস্তুতিৰ সমালোচনাহে কৰিছিল।

স্বাধীনতাৰ এই ৭৫ বছৰত ভাৰত বৰ্ষৰ লগতে অসমেও এক নতুন দিগন্তৰ পিনে ধাৱমান হৈছে। ঠিক ভূপেন হাজৰিকাই কৈ যোৱাৰ দৰেই -

" ভাৰতৰ আকাশত হাঁহে
স্বাধীনতাৰ উষাৰ প্ৰতিক
ভাৰতৰ বুকুত নতুন উছাহ
নতুন প্ৰতিজ্ঞা লৈ,"

শেষত স্বাধীনতাৰ এই ৭৫ বছৰীয়া ঐতিহাসিক মুহূৰ্তত দেশৰ প্ৰতি জন নাগৰিকলৈ শুভেচ্ছা জনালোঁ।

# সংখ্যাৰ বিভাজ্যতা

থাকিলে সংখ্যা টো ১০ ৰে বিভাজ্য হ'ব।

১১ ৰে বিভাজ্য তেতিয়াহে হ'ব যেতিয়া সংখ্যা এটাৰ যুগ্ম অৱস্থানত থকা অংক বোৰৰ যোগফল আৰু অযুগ্ম অৱস্থানত থকা অংক বোৰৰ যোগফলৰ পাৰ্থক্য (বিয়োগফল)ক ১১ ৰে বিভাজ্য হয়। অথবা সংখ্যা টোৰ এককৰ স্থানৰ অংকটো বাদ দিলে গঠিত হোৱা সংখ্যা টোৰ পৰা একক স্থানৰ অংকটো বিয়োগ কৰিলে বিয়োগফলটো ১১ ৰে বিভাজ্য হ'লে গোটেই সংখ্যাটোৰে ১১ ৰে বিভাজ্য হ'ব। একেদৰে ১৩ ৰ বিভাজ্যতা পৰীক্ষাৰ বাবে সংখ্যা টোৰ একক স্থানৰ অংকটো ৯ ৰে পূৰণ কৰি একক স্থানৰ অংকটো বাদ দিলে গঠিত হোৱা সংখ্যা টোৰ পৰা বিয়োগ কৰিলে বিয়োগফলটো ১৩ ৰে বিভাজ্য হ'লে গোটেই সংখ্যাটোৰে ১৩ৰে বিভাজ্য হ'ব। বিভাজ্যতাৰ কিটিপ বোৰ জানি নয়নৰ হৰণ অংকৰ প্ৰতি থকা ভয়টো পলাই পতং দিলে। সি মনতে ভাবিলে এতিয়াহে আহিব অংকৰ মজা।

# স্বাধীনতাৰ অমৃত মহোৎসৱ

জণ গণ এই দুটা দিশৰ ক্ষেত্ৰত বিশেষ সচেতন নহয়। বিজ্ঞানে মানব সভ্যতাক বহু ওপৰলৈ লৈ যোৱাৰ সময়ত ভাৰতবৰ্ষত ধৰ্মৰ গইনা লৈ বিভিন্ন স্থানত বিভিন্ন ধৰণৰ সাম্প্ৰদায়িক সংঘৰ্ষ হৈ মানুহ মৃত্যু মুখত পতিত হৈছে। ইং ১৯৪৭চনৰ ১৫ আগষ্ট অৰ্থাৎ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ দিনা এক ডলাৰৰ মূল্য ভাৰতীয় টকাৰ হিচাপত এক টকাৰ সমান আছিল। কিন্তু দেশে স্বাধীনতাৰ হীৰক জয়ন্তী পালন কৰি থকাৰ সময়ত ডলাৰ মূল্যৰ হিচাপত ভাৰতীয় টকাৰ মূল্য বহুত তললৈ নামিছে। সেয়া এক ডলাৰৰ মূল্য ভাৰতীয় টকাৰ মূল্য প্ৰায় আশী টকাৰ সমান হৈছে গৈ।

স্বাধীনতাৰ অমৃত মহোৎসৱৰ ধামখুমীয়াত ভাৰতবাসীয়ে এইবোৰ দিশ পাহৰি নাইবা এৰাই চলিলে নহ'ব। প্ৰতিটো নেতিবাচক দিশৰ বাবে সাম্প্ৰতিক সময়ৰ চৰকাৰক দোষাৰোপ কৰিলেও নহ'ব। দেশৰ সু নাগৰিক হিচাপে সকলো ভাৰতবাসীয়ে যদিয়ে যত্ন কৰে তেন্তে ভাৰত বিশ্বৰ ভিতৰতে সকলো ক্ষেত্ৰতে জিলিকি উঠিব। বিশ্ব বেংকৰ ৰেংকিঙত ভাৰত উন্নয়ণশীল দেশৰ পৰা তললৈ নামি অহা দিশটোও দেশবাসীৰ বাবে ভাল খবৰ নহয়। স্বাধীনতাৰ এনে সন্ধিক্ষণত দেশত মূল্যবোধৰ ৰাজনীতি হেৰাই গৈছে। সদ্য মুহূৰ্তত দেশৰ ৰাজনীতি কেৱল শাসনৰ গাদী দখলৰ বাবেহে হৈ থকা কথাটো বেলিৰ পোহৰৰ দৰেই সত্য হিচাপে প্ৰকাশ হৈছে। যিখন দেশত ডঃ এ পি জে আব্দুল কালামৰ দৰে বিজ্ঞানীৰ জন্ম হৈছে, যি খন দেশত অমৰ্ত্য সেনৰ দৰে নবেল বঁটা বিজয়ী অৰ্থনীতিবিদৰ জন্ম হৈছে, যি খন দেশত ডঃ সৰ্বপল্লী ৰাধা কৃষ্ণনৰ দৰে দাৰ্শনিক, শিক্ষাবিদৰ জন্ম হৈছে সেই খন দেশ কেতিয়াও কিছুমান স্বাৰ্থলোভী সৰ্বস্ব বৈশিষ্ট্যৰ মানুহৰ বাবে পিছ পৰি যাব এনে কথা কেতিয়াও নহয়। স্বাধীনতাৰ অমৃত মহোৎসব উপলক্ষ্যে হোৱা স্বাধীনতা সংগ্ৰাম আৰু সংগ্ৰামীৰ স্মৃতি ৰোমন্থনত পুনৰ দেশবাসী শান্তি, সম্প্ৰীতি আৰু সমণ্বয়ৰ ভাৰতবৰ্ষ গঢ়ি তুলিবলৈ নিশ্চয় অংগীকাৰবদ্ধ হ'ব। তেতিয়াহে হাজাৰ বছৰীয়া সভ্যতা, সংস্কৃতিৰ দেশ ভাৰতবৰ্ষ নিজ গুণে বিশ্বত জিলিকি থাকিবলৈ সক্ষম হ'ব।

# অতুলানন্দ গোস্বামীৰ অনুবাদ সাহিত্য-কৃতি

পুলিন ডেকা

সাহিত্যত অনুবাদৰ বিষয়টো অতিশয় গুৰুত্বপূৰ্ণ। বিশ্ব সাহিত্যৰ অমৰ সৃষ্টিসমূহ কেৱল বৌদ্ধিক সম্পদে নহয়, ইয়ে মানুহৰ সৃজনীশীল মনটোক বিকশাই তুলি আহিছে। শিক্ষানুষ্ঠানত এজন বিদ্যাৰ্থীয়ে যেতিয়া হোমাৰ, ছফ'ক্লিছ পঢ়ে, তেতিয়া উপলব্ধি কৰিব পাৰে বিশ্ব ইতিহাস, ৰাজনীতি, দৰ্শন আৰু মানৱীয় মূল্যবোধৰ দিশসমূহ। অনুবাদে আন দেশৰ সংস্কৃতি, জীৱনবোধ, মানৱীয় অন্তদৃষ্টি সন্ধান কৰাৰ পথ প্ৰশস্ত কৰে। দ্ৰুতগতিত চলি থকা পৃথিৱীখনত সাংস্কৃতিক পৰিসীমাৰে জ্ঞান আৰু অভিজ্ঞতাৰ বিনিময় কৰিব লাগিলে অনুবাদ সাহিত্যৰ বিকল্প নাই। হাজাৰ হাজাৰ বছৰ ধৰি সাহিত্যত অনুবাদ হৈ আছে। ৰজা আলফ্ৰেড দ্য গ্ৰেট আৰু জিঅ'প্ৰে চ'চাৰে মিলিত প্ৰয়াসেৰে মূল লেটিন ভাষাৰ পৰা ব'ধিয়াছক অনুবাদ কৰিছিল। সেই গ্ৰন্থৰ অপৰিসীম শক্তিৰ বাবে সময়ৰ বালিত হেৰাই নগ'ল। সাহিত্যৰ অনুবাদ অন্যান্য অনুবাদৰ পৰা সম্পূৰ্ণ পৃথক। গ্ৰন্থৰ মূল আবেদন অনুধাৱন কৰিব নোৱাৰিলে সঠিক অনুবাদ কৰাটো সম্ভৱ নহয়। সাহিত্যৰ অনুবাদ এক শব্দৰ অনুবাদ নহয় অথবা নিজস্ব ভাষাত তাৰ আলমত সৃষ্টিৰ হাবিয়াসো হ'ব নোৱাৰে। মূল ৰচনাৰ সৌন্দৰ্য আৰু মৰ্ম অক্ষুণ্ণ ৰাখি কৰা এক সাহিত্য কৃতি। এনে প্ৰত্যাহ্বান অতিক্ৰমি বিশিষ্ট সাহিত্যিক অতুলানন্দ গোস্বামীয়ে অনুবাদ সাহিত্যৰ জৰিয়তে অন্যান্য ভাষাৰ সাহিত্যক অসমীয়া সাহিত্যলৈ আৰু অসমীয়া সাহিত্যক ইংৰাজীলৈ অনুবাদ কৰি সাহিত্যৰ ভঁৰাল চহকী কৰি গ'ল। অতুলানন্দ গোস্বামীৰ সাহিত্যৰ মাজত আছে গভীৰ আত্মবিশ্লেষণ, সমাজ বীক্ষা আৰু নান্দনিক চেতনাবোধৰ উজ্জ্বল নিদৰ্শন। অনুবাদে মূল সাহিত্য স্ৰোতক যাতে ব্যাহত কৰিব নোৱাৰে, এই সম্পৰ্কত তেওঁ আছিল নিতান্তই সজাগ। সেইবাবে হয়তো অনুবাদত তাৰ নিটোল ৰূপ পৰিচ্ছন্ন। অসমীয়া সাহিত্য বিশ্ব সাহিত্যৰ অংগ হৈ উঠক, এই পৰম বিশ্বাসক সাৰোগত কৰি তেখেতে অসমীয়া গল্প ইংৰাজী ভাষালৈ অনুবাদ কৰিছিল। যোগেশ দাস, বীৰেন ভট্টাচাৰ্যৰ বহুকেইটা গল্প ইংৰাজীলৈ অনুবাদ কৰিছিল। নতুন দিল্লীৰ পৰা প্ৰকাশিত 'প্ৰতিভা ইণ্ডিয়া' নামৰ আলোচনীত অনুবাদ কৰি উত্তৰ-পূৰ্বৰ সাহিত্যিক ৰাষ্ট্ৰীয় পৰ্যায়ত এক নতুন দিশলৈ লৈ গৈছিল। উড়িয়া ভাষাৰ পৰা 'বনহংসী' আৰু 'শ্বেতপদ্মা' আৰু বাংলা ভাষাৰ পৰা 'একৈশটা বঙলা গল্প' আৰু "কালকোটৰ চাম্বু' নামৰ গ্ৰন্থ অনুবাদ কৰাৰ লগতে 'গুড্ বাই মিষ্টাৰ চিপচ' নামৰ ইংৰাজী গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰি আমাৰ জাতীয় সাহিত্যক নতুন মাত্ৰা প্ৰদান কৰি যায়।

অতুলানন্দ গোস্বামীৰ অনুবাদ কৃতি পৰ্যালোচনা কৰিলে কেতবোৰ অতি সূক্ষ্ম দিশ প্ৰত্যক্ষ কৰিব পাৰি। সাহিত্যৰ অনুবাদৰ এটা মূল প্ৰত্যাহ্বান হৈছে মূল ৰচনাৰ প্ৰতি বিশ্বাসযোগ্যতা প্ৰদৰ্শন। গোস্বামীয়ে মূল ৰচনাৰ প্ৰতি দায়বদ্ধ হৈও অসমীয়া পাঠকৰ মনন জগত স্পৰ্শ কৰাৰ প্ৰয়াস দেখা যায়। অনুবাদৰ সময়ত তেখেতে সেই সাহিত্যক পুনৰ সৃষ্টি কৰিবলৈ প্ৰয়াস নকৰে। বৰং সাহিত্যৰ মূল শৈলীক উজ্জীৱিত কৰাৰ সাৰ্থক প্ৰয়াস দেখা যায়। নাতিদীৰ্ঘ পৰিসৰত সূক্ষ্ম উপস্থাপন গোস্বামীৰ গল্পৰ অন্যতম বৈশিষ্ট্য। 'হামদৈ পুলৰ জোন' ১৯৬৬ চনত প্ৰকাশিত হয়। ১৯৯২ চনত 'বলীয়া হাতী' গল্পৰ বাবে সৰ্বভাৰতীয় কথা পুৰস্কাৰ লাভ কৰিছিল। ২০০৩ চনত প্ৰকাশিত 'চেনেহ জৰীৰ গাঁঠি' নামৰ গল্প সংকলনটোৰ বাবে তেওঁ ২০০৬ চনত সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল ১৯৬৭ চনত 'গল্প', ১৯৭৬ চনত 'ৰাজপাট' আৰু ১৯৮৩ চনত 'পলাতক', ১৯৯৩ চনত 'আশ্ৰয়' নামৰ গোস্বামীৰ গল্প গ্ৰন্থ প্ৰকাশ পায়। আনহাতে ১৯৯০ চনত প্ৰকাশ পায় 'নামঘৰীয়া' উপন্যাস। পৰৱৰ্তী পৰ্যায়ত নেশ্যনেল বুক ট্ৰাষ্টৰ উদ্যোগত উপন্যাসখন বাৰটা ভাষালৈ অৰ্পদিত হয়। তেওঁৰ আন দুখন উপন্যাস হৈছে 'ককাইদেউ' আৰু 'অৰ্কিড'। ভাবৰ গভীৰতা, বিষয়বস্তুৰ সম্যক উপলব্ধিয়ে তেওঁক এই কলাত্মক অনুভূতিলৈ লৈ যোৱাত বিশেষভাৱে সহায় কৰিছে। গল্পকাৰৰ চিন্তাৰ এক নিজস্ব শৈলী আছে। অনুবাদ কাৰ্যতো তেওঁ একেই ধাৰাবাহিকতা ৰাখিবলৈ সক্ষম হৈছে। জ্ঞানদানন্দ শৰ্মা পাঠকে সেইবাবে কৈছে- 'অতুলানন্দৰ চুটি গল্প মানেই চুটি। সেইবাবে ভাল লাগে।' এগৰাকী গল্পকাৰৰ মননশীল আৰু কলাত্মক দক্ষতা নাথাকিলে কম পৰিসৰত ভাবৰ প্ৰকাশ সম্ভৱ নহয়। পঞ্চাশৰ দশকতে 'হামদৈ পুলৰ জোন' শীৰ্ষক গল্পটোৰে অসমীয়া পঢ়ুৱৈৰ হৃদয়ত এগৰাকী সংবেদনশীল গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰে। তেওঁ নিজেই কৈছিল এই গল্পটোৰ অনুবাদ যথেষ্ট জটিল। চকুৰ আগত ভাহি অহা বিষয়বস্তুক আলম কৰিয়েই লিখা গল্পটো অনুবাদ কৰোঁতে গল্পকাৰে সেইবাবে কঠিন্যতা অতিক্ৰম কৰিব পাৰিছিল। কাৰণ তেওঁৰ আত্মাৰ সৈতে সংযোজিত হৈছিল অনুভূতি। 'হামদৈ পুলৰ জোন' শীৰ্ষক গ্ৰন্থখনৰ সম্পৰ্কত 'অতুলানন্দ গোস্বামী ৰচনা সমগ্ৰ' ত এনেভাৱে উল্লেখ কৰা হৈছে- 'কিতাপখনৰ নাম যদিও হামদৈ পুলৰ জোন' ৰখা হৈছিল, সেই নামৰ গল্প কিতাপখনত নাছিল। আনকি সেইনামৰ গল্পটো তেতিয়ালৈকে লিখাও হোৱা নাছিল। ৰায়হান শ্বাহকে মুখ্য কৰি দুই-এজনে কিতাপখনৰ নামটোৰ অৰ্থ গল্পবোৰত নোলাল- মাথোঁ শব্দ ব্যঞ্জনাৰ কাৰণেই দিয়া বুলি আক্ষেপ কৰিছিল। কিতাপখন প্ৰকাশ পোৱাৰ বহু পাছতহে হামদৈ পুলৰ জোন নামেৰে গল্প ৰচনাৰ প্ৰয়াস। গোলাঘাটত চাকৰি কৰি থকা সময়ৰ অভিজ্ঞতা কিছুমান প্ৰায় ছয়-সাত বছৰ স্মৃতিৰ জোলোঙাত কঢ়িয়াই লৈ ফুৰাৰ পাছত সেইবোৰকে গল্প ৰূপ দিয়াৰ বাবে নিৰলস প্ৰয়াস চলাই থকাৰ পাছতো গল্পটোৱে ৰূপ পোৱা নাই। এইখিনি সময়ত অন্য কেইবাটাও গল্প লিখিলে, কিন্তু হামদৈ পুল মূৰত সোমাল, কলমৰ আগলৈ আনিব পৰা নাই।



চন্দ্ৰপ্ৰসাদ শইকীয়াই হামদৈ পুলৰ আঁচনিখনৰ কথা গম পাই তেওঁক লিখিবলৈ নেৰানেপেৰা তাগিদা দিয়াৰ পাছতহে হামদৈ পুলৰ জোন-এ জন্মলাভ কৰে।"

গোস্বামীৰ গল্পৰ প্লটসমূহ অনন্য। ইয়াক জীৱন্ত ৰূপত পাঠকৰ মাজলৈ লৈ যোৱাটো এইবাবেই সম্ভৱ হৈছে যে তেওঁ নিজেই ঘটনাৰ মাজলৈ অতি নাটকীয়ভাৱে যাব পাৰে। 'কথা বৰণ্যে ১০০'ত শোণিত বিজয় দাস আৰু মুনীন বায়নে গোস্বামীৰ গল্প সম্পৰ্কত এনেদৰে উল্লেখ কৰিছে- 'অতুলানন্দ গোস্বামীৰ প্ৰায় প্ৰতিটো গল্পই কঢ়িয়াই আনে সুস্থ জীৱনবোধ আৰু প্ৰবল আশাবাদ। জীৱন আৰু জগতৰ সৈতে থকা নিবিড় আত্মীয়তাৰ সূত্ৰে গল্পকাৰগৰাকীয়ে পঢ়ুৱৈৰ চিন্তা-চেতনাক সহজে স্পৰ্শ কৰি আহিছে। আধুনিক নগৰীয়া জীৱনৰ যান্ত্ৰিকতাৰ মাজত ক্ৰমশঃ পৰিৱৰ্তিত হ'বলৈ ধৰা সনাতন মূল্যবোধ আৰু জীৱনবীক্ষাৰ একো একোখন মৰ্মস্পৰ্শী ছবি তেওঁ যি গভীৰ নিষ্ঠাৰে তুলি ধৰে, সিয়ে পঢ়ুৱৈৰ মন আৰু মগজু দুয়োটাকে স্মৃতিকাতৰ কৰি তোলে।'

গোস্বামীৰ মানৱিক সমাজ চেতনাই সৰহখিনি গল্পক উদ্দেশ্যধৰ্মী কৰি তুলিছে। অনুবাদ এক কৌতূহলী কলা। এটা ভাষাত লিখা লেখকৰ সৃষ্টিশীলতাক আন ভাষাত বহন কৰিব লাগিব। যিমানেই সাহিত্যৰাজি অনুবাদ হ'ব, সিমানে বিশ্ববাসীয়ে জনাৰ সুযোগ লাভ কৰিব। অনুবাদকৰ দুয়োটা ভাষাৰ ওপৰত সঠিক: ানৰ প্ৰয়োজন। পৰিচয় হেৰুৱাই নোযোৱাকৈ সাহিত্যক বেলেগ ভাষালৈ ৰূপান্তৰিত কৰাত যাদুকৰী শক্তিৰ প্ৰয়োজনীয়তাকো অস্বীকাৰ কৰিব নোৱাৰি। অতুলানন্দ গোস্বামীয়ে অন্য ভাষাৰ সাহিত্যৰ বিশেষ জ্ঞান থকা বাবেহে শক্তিশালী অনুবাদ সম্ভৱ হৈ উঠিছে। অসমীয়া সাহিত্যলৈ তেওঁ যি অৰিহণা আগবঢ়াই গ'ল, সেয়া অবিনশ্বৰ হৈ ৰ'ব।

# স্বাধীনতা

হিমাদ্ৰী বৰঠাকুৰ ডেকা,
মঙলদৈ



বৃটিছৰ দুশবছৰীয়া দমনৰ পিছত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। স্বাধীনতা এই সুন্দৰ ভাললগা শব্দটো মনেপ্ৰাণে প্ৰতিজন ভাৰতীয়ই অন্তৰেৰে ভাল পায়। কিন্তু আচলতে আমি স্বাধীন দেশৰ নাগৰিক হয়নে। স্বাধীনতা দিৱস, গণৰাজ্য দিৱস আহিলেই ৰাষ্ট্ৰই ঘাটে তালাচিৰ নামত হাৰাশাস্তিৰ সন্মুখীন হবই লাগিব। স্নিফাৰদগৰ ওচৰ চাপিবই লাগিব। কিয় কিয় আমি মুক্তমনে ওলাব নোৱাৰো। ডাঙৰ ডাঙৰ সভাত স্বাধীনতাৰ কথা কলেই বা চচিয়েল মিডিয়াত পতাকাখন আৰি লৈ স্বাধীনতাৰ কথা কোৱাতো সহজ আৰু তাৰ মানে এইটো নুবুজাই যে আমি স্বাধীন। মাজে মাজে চক খাই উঠো পৰাধীন আৰু স্বাধীন, এই শব্দদুটাৰ অৰ্থ কি? গতিকে আমাৰ চৰকাৰে প্ৰকৃত স্বাধীনতাৰ সোৱাদ লব পৰাকৈ এটা মুকলি পৰিৱেশৰ সৃষ্টি কৰিলে আমাৰ সুবিধা হ'ব। আৰম্ভণিতে কোনো বাধা নাছিল সেইটো সচা কথা। লাহেলাহে কিছুবছৰৰ পৰা আমাৰ হাতভৰি বান্ধি পেলাইছে। ভয় ভয় কৈ আহযাহ কৰিব লগা অৱস্থা। আলিবাটলৈ অকলে যাব নোৱাৰা অৱস্থা। আমি প্ৰকৃত স্বাধীনতা বিছাৰো। সমাপ্তিত এইটো মোৰ দৃঢ়বিশ্বাস যে এই স্বাধীনতাদিৱস আমি দলেবলে উদযাপন কৰিম আৰু ভৱিষ্যতেও যাতে কোনো বাধাবিঘিনি নোহোৱাকৈ মুক্তমনে আমি সকলোৱে স্বাধীন বুলি স্বাধীনতাৰ গীত গাই আমাৰ দেশক ভাল পাব পাৰো। চৰকাৰ তথা প্ৰসাশনৰ ওচৰত এইয়া মোৰ কাতৰ আহ্বান।

২৮ শাওণ ১৪২৭ চন Rongili Barta, Date of Publication-- 14 August, 2022

# অমৃত মহোৎসৱ

**নিতিষ্মান দাস,অষ্টম শ্ৰেণী**




ভাৰতৰ আমি সকলো সন্তান,
ভাৰতৰ আমি সকলো প্ৰাণ।
ভাৰতীয় বুলি সকলোৱে কৰোঁ গৌৰৱ,
পালন হৈছে স্বাধীনতাৰ অমৃত মহোৎসৱ।
ঘৰে ঘৰে উৰিছে জাতীয় পতাকা,
উৰি-উৰি কৈছে ভাৰতৰ কথা
ঘৰ কাৰ্যলয়, সকলোতে হৈছে পালন,
উলাহিত হৈছে ভাৰতীয়ৰ মন।
মনত পেলোৱা সেই ভাৰতৰ ইতিহাস,
স্বাধীন হবলৈ কিমান যে কৰিছিল প্ৰয়াস।
কত শ্বহীদৰ ফাঁচী হৈছে,
কত শ্বহীদৰ হিয়াত তেজৰ ধল বৈছে।
শ্বহীদ সকলতো এতিয়া নাই,
মোহৰা চকুলো হিয়াৰ আই।
মৰিলেও শ্বহীদ সকল সদায়ে অমৰ,
অমৰ সন্তান স্বাধীন ভাৰতৰ।
শ্বহীদ সকলৰ কৰ্ম স্মৰণীয়,
স্বাধীন ভাৰতৰ আমি স্বাধীন ভাৰতীয়।
ত্ৰিৰঙ্গা নীল গগনত আনন্দেৰে উৰে,
ত্ৰিৰঙ্গাক লৈ সকলোৱে গৌৰৱ কৰে।
কত যে ভাৰতত সংগ্ৰাম হৈ গ'ল,
ভাৰতৰ সংস্কৃতি-ভাষাৰ ৰক্ষা হ'ল।
শ্বহীদ সকলৰ দৰে বাৰু ক'ত ৰতন পাম,
শ্বহীদ সকলক জনালোঁ সহস্ৰ-কৌটি প্ৰণাম।
প্ৰণামো অজেয় নৱ যোৱান,
প্ৰণামো ভাৰতৰ সকলো সন্তান।
আহক ভাৰত ৰক্ষাৰ আমি ৰাখোঁ প্ৰতিশ্ৰুতি,
বিশ্বত ভাৰতৰ নাম থাকক জিলিকি।

# ত্ৰিৰঙ্গা ধ্বজা

**ময়ূৰাক্ষী গগৈ**



উৰিছে উৰিছে ত্ৰিৰঙ্গা ধ্বজা,
দেশৰ চুকে-কোণে উৰিছে।
একোৱেই বাকী থকা নাই।
কি ঘৰ, কি বিদ্যালয়,
কি অফিচ, কি বাহন,
সকলোতে ত্ৰিৰঙ্গা ধ্বজা।
অবাল-বৃদ্ধ-বনিতা
কোনোৱেই পিছ পৰি ৰোৱা নাই,
ত্ৰিৰঙ্গাৰ জয় গান গাবলৈ।
ভাৰত মাতাৰ জয়ধ্বনি দিবলৈ।
স্বাধীন দেশৰ স্বাধীন নাগৰিকে
স্বাধীনতা দিৱস পালন কৰিবলৈ
হিল দল ভাঙি আহিছে ওলাই
হাতে হাতে ত্ৰিৰঙ্গা ধ্বজা।
দশোদিশে মুখৰিত হৈছে
ত্ৰিৰঙ্গাৰ জয় গান....
জয় ত্ৰিৰঙ্গা আমাৰ জয়।

# স্বাধীনতা তুমি কাৰ বাবে?


**ইকবাল হুছেইন**



স্বাধীনতা দিৱস হৈছে ভাৰতীয় গণতন্ত্ৰৰ এটা জাতীয় দিৱস। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ ব্ৰিটিছ ৰাজ শক্তিৰ শাসনকৰ্তৃত্ব গ্লানিৰ পৰা মুক্ত হৈ স্বাধীনতা অৰ্জন কৰিছিল। এই ঘটনাটোকে চিৰ স্মৰণীয় কৰি ৰাখিবলৈ প্ৰতি বছৰেই ১৫ আগষ্ট তাৰিখটো ভাৰতে স্বাধীনতা দিৱস হিচাপে পালন কৰি আহিছে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত প্ৰধানত অহিংস, অসহযোগ তথা আইন অমান্য আন্দোলন আৰু বিভিন্ন চৰমপন্থী গোপনীয় ৰাজনৈতিক সমিতিৰ সহিংস আন্দোলনৰ পথত পৰিচালিত এক দীৰ্ঘ স্বাধীনতা সংগ্ৰামৰ অন্তত ভাৰতে স্বাধীনতা অৰ্জন কৰে। স্বাধীনতাৰ ঠিক আগমুহূৰ্তত ব্ৰিটিছে ভাৰতীয় সাম্ৰাজ্য ধৰ্মৰ ভিত্তিত বিভাজিত কৰে, ফলত ভাৰত আৰু পাকিস্তান অধিৰাজ্যৰ জন্ম হয়। দেশ বিভাজনৰ সময়ত ভাৰতবৰ্ষত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল, যাৰ পৰিণতিত দেশ তথা দহৰ প্ৰচুৰ পৰিমাণে ক্ষতিসাধন হৈছিল। বহু মানুহ মৃত্যুমুখত পৰিছিল আৰু ডেৰ কোটিৰো অধিক মানুহ গৃহহীন হৈছিল। ১৯৪৭ বৰ্ষৰ ১৫ আগষ্টত পণ্ডিত জৱাহৰলাল নেহৰু ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পাছত দিল্লীস্থিত লাল কিল্লাৰ লাহোৰী গেটৰ ওপৰত ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰে। তেতিয়াৰে পৰা প্ৰতি বছৰেই স্বাধীনতা দিৱস উপলক্ষে ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে লাল কিল্লাত ত্ৰিৰংগা পতাকা উত্তোলন কৰি জাতিৰ উদ্দেশ্যে ভাষণ দি আহিছে। প্ৰসংগত, এই স্বাধীনতা এনেই অহা নাই। দেশৰ প্ৰতিটো জাতি, জনগোষ্ঠী তথা ধৰ্মাৱলম্বী লোকৰ ঐক্যবদ্ধ আন্দোলনৰ ফলশ্ৰুতিত ভাৰতে স্বাধীনতা লাভ কৰিছে। নিজ মাতৃভূমিক পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত কৰিবলৈ দেশৰ সৰ্বস্তৰৰ জনগণে দখলদাৰী ইংৰাজৰ বিৰুদ্ধে মৰণ পণ সংগ্ৰাম কৰি ভাৰতবৰ্ষক স্বাধীন কৰিছিল। আজি সেই স্বাধীন ভাৰতবৰ্ষত এচাম অতি ধৰ্মান্ধৰ লোক ধৰ্ম, জাত-পাতলৈ ব্যস্ত। সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য ভাৰতবৰ্ষত এতিয়া যেন প্ৰজাৰ উন্নতি আৰু সুৰক্ষাতকৈ হিংসা, ঘৃণা, বিভেদ, বিদ্বেষ বিয়পোৱাটোয়েই শ্ৰেয়। আজি প্ৰশ্ন ওপজিছে, স্বাধীনতা তুমি কাৰ বাবে? হে স্বাধীনতা তুমি কি বিভিন্ন জাতি, ধৰ্মাৱলম্বীৰ মাজত থকা যাউতিযুগীয়া সম্প্ৰীতিৰ এনাজৰীডাল চিঙি থানবান কৰিব বিচৰা? তুমি কি সৰ্ব ধৰ্ম সমন্বয়ৰ দেশত সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি কৰি আবাল বৃদ্ধ বনিতাৰ প্ৰাণ কাঢ়ি নিব বিচাৰিছা? হে স্বাধীনতা তুমি ইমান নিষ্ঠুৰ নহবাঁ? তুমি সকলো ক্ষেত্ৰতে নিৰৱ দৰ্শক হৈ নৰবা। নহলে তোমাৰ এই স্বাধীনতা শব্দটো হ'ব অৰ্থহীন। যিকি নহওঁক, স্বাধীনতাকামী অগণন ভাৰতীয়ৰ ত্যাগ আৰু আত্মবলীদানৰ বিনিময়ত আজাদ হোৱা ভাৰতবৰ্ষৰ আজাদী কা অমৃত মহোৎসৱৰ কাৰ্য্যসূচী চলি আছে। তাৰে অংশ হিচাপে ১৩ আগষ্টৰ পৰা হৰ ঘৰ ত্ৰিৰংগা পতাকা উত্তোলন অভিযান আৰম্ভ হৈছে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই সৰ্বস্তৰৰ জনগণে স্বতঃস্ফূৰ্তভাৱে নিজৰ নিজৰ ঘৰত ত্ৰিৰংগা পতাকা উৰুৱাই ভাৰতীয় হোৱাৰ গৌৰৱ অনুভৱ কৰিছে। দেশ তথা ৰাজ্যৰ লগতে জাগীৰোড, পৰ্বত নগৰ' স্থিত মাহফুজুল কোৰআন মাদ্ৰাছায়েও ১৩ আগষ্টৰ পৰা স্বাধীনতাৰ শৌৰ্য-বীৰ্য তথা ৰাষ্ট্ৰৰ মান-স্বাভিমান জাতীয় পতাকা উত্তোলন কৰে। যাতে ত্যাগ, শান্তি আৰু প্ৰগতিৰ প্ৰতিক ত্ৰিবৰ্নীয়া জাতীয় পতাকাখনিয়ে আকাশত উৰি তাৰ পৰাই সাম্প্ৰদায়িক সম্প্ৰীতি অক্ষুন্ন থকাৰ আশীষ দিয়ক।

# সাঁচিপাত

**অঞ্জুমণি শইকীয়া**



কাগজ নোপোৱা দিনবোৰত অসমীয়াই সাঁচিপাতত সকলো কথা লিখি ৰাখিছিল। সাঁচিপাত কেইবাশ বছৰ ধৰি নষ্ট নোহোৱাকৈ থাকে। ইয়াত লেখা আখৰবোৰত মলি পৰি পঢ়িব নোৱাৰিলে তিতা কাপোৰে মচি দিলেই পৰিষ্কাৰ হয়। কীৰ্ত্তন, ভাগৱত, ৰামায়ণ, মহাভাৰত, জ্যোতিষ, তন্ত্ৰমন্ত্ৰ, বুৰঞ্জী, নিদান আদি সকলো ধৰণৰ সংস্কৃত, অসমীয়া আৰু আহোম ভাষাৰ পুথি সাঁচিপাতত লিখা ।

গেইট চাহাবৰ মতে - ৩০/৩৫ ইঞ্চি বেৰৰ ১৫/১৬ বছৰীয়া সাঁচি গছ বা অগৰু গছৰ মাটিৰ পৰা চাৰি ফুট মান ওপৰৰ বাকলি ৬ ফুটৰ পৰা ১৮ ফুট দীঘল কৰি আৰু ৩ ইঞ্চিৰ পৰা২৭ ইঞ্চিলৈকে বহল কৰি চটাচটে এৰুৱাই বাকলিবোৰৰ ভিতৰফালটো বাহিৰলৈ দি প্ৰত্যেকখন বাকলিকে বেলেগে নুৰিয়াই কেইবাদিনো ৰ'দত দিয়ে। বাকলিৰ ওপৰৰ টান ভাগটো এৰুৱাবৰ কাৰণে হাতেৰে কাঠৰ তক্তা বা টান বস্তুৰে বাকলিবোৰ ঘঁহে। পাছদিনা সাৱধানেৰে নিকৰি গুচাই বাকলিবোৰ সুবিধা মতে ৯ ইঞ্চিৰ পৰা ২৭ ইঞ্চি দীঘল কৰি আৰু ৩ ইঞ্চিৰ পৰা ১৮ ইঞ্চি বহল কৰি কাটে। এইদৰে কটা পাতবিলাকৰ খাৰপানী ওলাবৰ কাৰণে এঘণ্টামান চেঁচা পানীত ডুবাই থৈ কটাৰীৰে চাঁচি ওপৰখন মিহি কৰে। তাৰ পাছত আধা ঘণ্টামান ৰ'দত পাত বিলাক সম্পূৰ্ণৰূপে শুকুৱাই তাত পোৰা ইটা ঘঁহে। ইয়াৰ পাছত মাটি মাহৰ কঢ়াল আৰু হালধীয়া ৰং দি পাটবিলাক ৰ'দত শুকুৱাই মিহি কৰিলেই লিখিবৰ উপযুক্ত হয়। (" ইতিহাসে সোঁৱৰা ছশটা বছৰ "নামৰ গ্ৰন্থৰ পৰা সংগ্ৰহ)

২৮ শাওণ ১৪২৭ চন Rongili Barta, Date of Publication-- 14 August, 2022

# ENGLISH NEWS SECTION

## Overwhelming response by people as National Flags of worth Rs 16.07 crore sold in Assam



Guwahati, RB News: National flags worth more than Rs 16.07 crore have been sold so far in Assam ahead of the Independence Day and Har Ghar Tiranga Campaign. Altogether 32,58,134 National Flags prepared by the self-help groups were sold till Tuesday across the state. The total amount received from this sale is Rs 12.47 crore. Altogether 35,95,167 National Flags have been stitched by more than 23,000 self-help group members. A total of 722 CLFs are involved in the process. There are 19,110 SHG sales outlets of National Flags in the state. Apart from the local production of the National Flags, the Government of Assam has placed a requirement for another 50 lakhs flags to the Ministry of Culture, Govt of India. And till date, 39.26 lakh flags have been received by the state government. Government of Assam, through Food, Civil Supplies and Consumer Affairs Department, has been taking measures to make these flags available at 34,000 nos of fair-price shops across the State. Fair Price (FP) Shops are providing these flags to NFSA beneficiaries at Rs 18 per flag. And so far, around 20 lakh National Flags worth Rs 3.60 Crore have been sold at these FP shops. The 'Har Ghar Tiranga' campaign is a part of the 'Azadi ka Amrit Mahotsav', which will be celebrated from August 13 to 15 to mark 75 years of India's independence. The Government of Assam has adopted various means to encourage the people to hoist the tricolour at their homes, offices and commercial establishments to make Har Ghar Tiranga campaign a success. Initiatives are also being taken by the state government to see more than 80 lakh National Flags being hoisted during the three-day campaign to display patriotism towards the nation.

## Assam Regional Committee Meet on Assam-Arunachal Pradesh Border dispute




Guwahati, RB News: Under the guidance of Chief Minister, Assam, Dr Himanta Biswa Sarma, the Government is working closely with the counterparts of neighbouring state Arunachal Pradesh for peaceful, holistic and early resolution of the border disputes. To expedite the process of identification and early resolution of disputed areas,12 numbers of regional committees have been constituted by both the states. The Assam Regional Committee Meet was held today at Assam Administrative Staff College, Khanapara, Guwahati. After a detailed discussion it was decided that the joint visits by the regional committees of both the states to the areas identified as disputed, in eight districts of Assam that shares border with 12 districts of Arunachal Pradesh will be concluded within August 31. Thereafter, the reports by the respective regional committees will be submitted to the Chief Ministers of both the states by September 15. The meeting was chaired by Atul Bora, Minister, Border Protection and Development Department etc. Ministers Dr Ranoj Pegu, Ashok Singhal, Sanjoy Kishan, Bimal Bora, concerned Guardian Secretaries, MLAs, Deputy Commissioners of the respective districts and other senior officials of the Department were present in the meeting.

## Revised timing for Special Session of Assam Legislative Assembly to be held on 17th August



Guwahati, RB News: The time schedule for special session of Assam Legislative Assembly to be held on 17th August, 2022 is revised. Now the special session will be held at 3pm instead of 9:30 am in the mentioned date in the Assembly Hall at Dispur. This is stated in a notification issued from Assam Legislative Assembly Secretariat.

## As a part of Azadi Ka Amrit Mahotsav drawing competition held in Raj Bhavan



Guwahati, RB News: As a part of the celebration of Azadi Ka Amrit Mahotsav, a drawing competition on "Freedom Movement of India" was organised by Raj Bhavan in association with Gauhati Artists' Guild in Raj Bhavan premises. Speaking on the occasion the Governor said, "This Mahotsav is dedicated to all sections of the people of our country as well as to those who are instrumental in making India a world leader. It is also a celebration to rededicate ourselves to the spirit of Atmanirbhar Bharat." Prof. Mukhi also expressed happiness to see the children translating their imagination of India's independence through their art. He said, "The competition is an opportunity for the children to pour their imagination and thoughts on canvas and imbue their hearts with patriotic fervour. I am certain that the competition nicely fructified the purpose of fostering the nationalistic spirit and the essence of oneness among the student." The Governor also congratulated all the winners and the participants of the competition and asked them to dream big and focus on their goal. He also asked them to initiate their effort in line with the spirit of 'Nation First' and work individually and collectively towards the bigger goal of making India self-reliant.The First lady of Assam Prem Mukhi, Commissioner and Secretary to the Governor S.S. Meenakshi Sundaram, Secretary of Gauhati Artists' Guild Kishore Kumar Das, members of Gauhati Artists' Guild, officers and staff of Raj Bhavan along with the students were present in the function.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

২৮ শাওণ ১৪২৭ চন Rongili Barta, Date of Publication-- 14 August, 2022

## Beauty of the Week



**Priyashruti Das**

## Cutie of the Week



**Binit Saikia and Jagriti Saikia**

Beauty of the Week Art of the Week আৰু
· Photography of the Week লৈ আপোনালোকৰ
ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286







Address- Bharalumukh, opposite- YAMAHA Show room, Above- Professional Salon

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286